সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ, ২৩ সংখ্যা,২৪জেঠ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 23 Date of Publication- 8 June 2025 Rs. 10.00/-

## আনুষ্ঠানিকভাৱে ‘স্বাগত সতীৰ্থ’ প’ৰ্টেল মুকলি মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিছপুৰত লোকসেৱা ভৱনত ‘স্বাগত সতীৰ্থ’ প’ৰ্টেলৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। বদলিকৰণক স্বচ্ছতাৰ দিশলৈ নিয়াৰ বাবে ৰাজ্য চৰকাৰে শিক্ষকসকলৰ বদলিকৰণত আৰম্ভ কৰিছিল এক বিশেষ পদক্ষেপ। এই পদক্ষেপক আগত লৈয়েই ‘স্বাগত সতীৰ্থ’ প’ৰ্টেল আৰম্ভ কৰা হয়। প’ৰ্টেলটো আনুষ্ঠানিকভাবে মুকলি মুখ্যমন্ত্ৰীয়ে কয়- চৰকাৰী দায়িত্ব অনুসৰি বিভিন্ন ৰাজ্যলৈ যাওঁতে মই চৰকাৰী কৰ্মচাৰীসকলক পৰম্পৰাগতভাৱে দি অহা সা-সুবিধাৰ লগতে আন কোনো সুবিধা প্ৰদান কৰা হৈছে নেকি এই বিষয় লক্ষ্য কৰোঁ। কিন্তু পৰম্পৰাগত সা-সুবিধাসমূহক বাদ দি কোনো ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলৰ বাবে ব্যতিক্ৰমী তথা পৰম্পৰাৰ বাহিৰত সুবিধা প্ৰদান কৰা নাই। কৰ্মচাৰীৰ বাবে থকা নীতি-নিয়মৰ আধাৰতহে কাম কৰি আছে। দেশৰ ৬খন ৰাজ্যই কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত মৰগীয়া ভাট্টা পৰিশোধ কৰি আহিছে যদিও বহু ৰাজ্যত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ মাজত যথেষ্ট পাৰ্থক্য আছে। আমাৰ চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ মৰগীয়া ভাট্টাৰ তুলনাত অসমৰ মৰগীয়া ভাট্টা ৩০ শতাংশ পাৰ্থক্য দেখা যায়। ইয়াৰ বিপৰীতে জিডিপিৰ ক্ষেত্ৰতো তুলনা কৰিলে পশ্চিমবংগৰ ৭-৮ স্থানত থকাৰ বিপৰীতে অসমৰ স্থান ১৭। এনে প্ৰতিকূলতাৰ মাজতো কৰ্মচাৰীসকলক মানসিক সন্তুষ্টি দিয়া বাবে কেইবাটাও প্ৰচেষ্টা হাতত লোৱা হৈছে। উল্লেখ্য যে স্বাগত সতীৰ্থ প’ৰ্টেলৰ অধীনত ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ বদলিৰ আদেশ-পত্ৰ আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিতৰণ কৰে। এই অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- বৰ্তমান ৰাজ্য চৰকাৰে নিযুক্তিৰ ক্ষেত্ৰত দুৰ্নীতি নিৰ্মূল কৰিবলৈ সক্ষম হৈছে। আজি যুৱক-যুৱতীৰ মাজত এনে বিশ্বাস গঢ় লৈ উঠিছে যে কষ্ট কৰিলে চাকৰি পোৱাটো সম্ভৱ। নিকা আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে শিক্ষক নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হৈছিল আৰু আৰক্ষী নিযুক্তিৰে সেই যাত্ৰা অতিক্ৰম কৰি লোকসেৱাকে ধৰি প্ৰতিটো চৰকাৰী বিভাগৰ নিযুক্তিত স্বচ্ছতা অনাটো সম্ভৱ হৈছে। (দহ পৃষ্ঠাত চাওক)

## ৰাজ্যসভা নিৰ্বাচনৰ বিজেপি প্ৰাৰ্থী বৰাকৰ কণাদ পুৰকায়স্থ



ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত অসমত খালী হোৱা ৰাজ্যসভাৰ দুখন আসনৰ ভিতৰত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া এখনৰ প্ৰাৰ্থিত্বত চূড়ান্ত অনুমোদন জনালে দলৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে। বিজেপিৰ ৰাষ্ট্ৰীয় মুখ্য কাৰ্যালয়ৰ প্ৰভাৰীৰ দায়িত্বত থকা সাধাৰণ সম্পাদক অৰুণ সিঙে এক বিজ্ঞপ্তিযোগে প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাবে ঘোষণা কৰে। সেই অনুসৰি প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে কণাদ পুৰকায়স্থক। কণাদ পুৰকায়স্থ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা উত্তৰ-পূৰ্বাঞ্চলত বিজেপিৰ সংগঠন গঢ়ি তোলাৰ অন্যতম গুৰি ধৰোঁতা কবীন্দ্ৰ (দহ পৃষ্ঠাত চাওক)

## নতুন ৰাজনৈতিক দল গঠন কৰিব ইলন মাস্কে




ৰঙিলী বাৰ্ত্তাসেৱা- ২০২৪ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত ৰিপাব্লিকান প্ৰাৰ্থী তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা ইলন মাস্কে ঘনিষ্ঠ বন্ধু হিচাপে ট্ৰাম্প চৰকাৰত নিযুক্তি লাভ কৰে। ডিঅ’জিইৰ মুৰব্বী হিচাপে দায়িত্ব লৈ মাস্কে সঠিকভাৱে কাম-কাজ আগবঢ়াই নিয়াৰ মাজতে ৰাষ্ট্ৰপতি ট্ৰাম্পে মাস্কৰ পৰামৰ্শক আওকাণ কৰাই নহয়, গোপনে বিগ বিউটিফুল বিলত স্বাক্ষৰ কৰে। ইয়াৰ পাছতে ৰাষ্ট্ৰপ্ৰতি ট্ৰাম্প আৰু ইলন মাস্কৰ মাজত বন্ধুত্ব শেষ হৈ যায় (দহ পৃষ্ঠাত চাওক)

## ৰাজহ বিভাগৰ উচ্ছেদৰ জাননীৰ বিৰুদ্ধে জিলা আয়ুক্তক স্মাৰক-পত্ৰ ওদালগুৰি বিজেপিৰ

ৰঙিলী বাৰ্ত্তাসেৱা- বিটিচি চৰকাৰৰ ৰাজহ বিভাগৰ উচ্ছেদৰ জাননীৰ বিৰুদ্ধে ওদালগুৰি জিলা আয়ুক্তক ওদালগুৰি জিলা বিজেপিৰ তৰফৰ পৰা স্মাৰক-পত্ৰ প্ৰদান কৰে। ওদালগুৰি জিলা বিজেপিৰ সভাপতি সুনীল কুমাৰ বসুমতাৰীয়ে কয়-ওদালগুৰি জিলাৰ অন্তৰ্গত ২নং ফুহুৰাবী চৰকাৰী ভূমিত বিভিন্ন খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ ৰাইজে ১৯৪৮ চনৰ পৰা খেতি-বাতিৰে জীৱন নিৰ্বাহ কৰি আহিছে। এই অঞ্চলৰ ৰাইজক অসম চৰকাৰে ১৯৭০ চনতেই কৃষিজীবী ভূমিহীন হিচাপে উক্ত মাটিত খেতি-বাটিৰে বসবাস কৰিবলৈ অনুমতি প্ৰদান কৰাৰ লগতে আবণ্টন পত্ৰ প্ৰদান কৰিছিল। সেই অনুসৰি উক্ত ভূমিত শ শ পৰিয়ালে কৃষিকৰ্ম কৰি জীৱন নিৰ্বাহ কৰি আহিছে। এই অঞ্চলৰ ৰাইজে উক্ত ভূমিত বিগত দিনবোৰত মাটিৰ পট্টাৰ বাবে বহুবাৰ দাবীও জনাই আহিছে। কিন্তু ৰাইজে অভিযোগ কৰা অনুসৰি এই অঞ্চললৈ মাজে-সময়ে বিভিন্ন অজুহাতত আয়ুক্ত কাৰ্যালয়ৰ বিষয়াই গৈ উচ্ছেদৰ ভাবুকিৰে হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন কৰিছে। ৮০ বছৰৰ পৰা বসবাস কৰি অহা খিলঞ্জীয়া লোকসকলক উচ্ছেদ (তিনিপৃষ্ঠাত চাওক)

## পুনৰ চীনত নতুনকৈ চিনাক্ত ক’ৰনাৰ নতুন উপ-প্ৰকৰণৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ চীনত নতুনকৈ চিনাক্ত হৈছে ক’ৰনাৰ নতুন প্ৰজাতি। এইচ কে ইউ ৫.কোভ-২ নামৰ মাৰাত্মক ভাইৰাছটোৰ সংক্ৰমণ আৰম্ভ হ’লেই ই ভয়াৱহ ৰূপ লৈ পুনৰ বিশ্বজুৰি অতিমাৰীৰ আশংকাৰ কাৰণ হৈ উঠিব। চীনা বিজ্ঞানী এগৰাকীয়ে দেশখনত নতুনকৈ চিনাক্ত হোৱা এইচ কে ইউ ৫.কোভ-২ নামৰ মাৰাত্মক ভাইৰাছটো সন্দৰ্ভত সতৰ্কবাণী জাৰি কৰিছে। চীনা বিজ্ঞানীগৰাকীয়ে প্ৰকাশ কৰা মতে, নতুন প্ৰজাতিৰ এইচ কে ইউ ৫.কোভ-২ৰ সংক্ৰমণ হ’লেই ই দ্ৰুতগতিত বৃদ্ধি হ’ব আৰু ইয়াক প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত জটিলতা ( দুই পৃষ্ঠাত চাওক)

# পুনৰ চীনত নতুনকৈ

বাঢ়ি যাব। সংক্ৰমণ বৃদ্ধি হ'লেই লাখ লাখ লোকৰ মৃত্যু হোৱাৰ সম্ভাৱনা আছে। এনে হ'লেই পুনৰ বিশ্ববাসী লকডাউনৰ সন্মুখীন হ'ব লাগিব। মন কৰিবলগীয়া যে ক'ভিড-১৯ৰ ত্ৰাস বিশ্ববাসীয়ে প্ৰায় পাহৰি যোৱাৰ ক্ষণতে চীনকে ধৰি এছিয়াৰ কেইবাখনো দেশত ক'ৰনাৰ নতুন উপ-প্ৰকৰণৰ সংক্ৰমণ আৰম্ভ হৈছে। ভাৰততো ক'ৰনা ভাইৰাছৰ নতুন প্ৰকৰণ এনবি ১.৮.১ আৰু জেএন ১১ সংক্ৰমণত আক্ৰান্ত ৰোগীৰ সংখ্যা প্ৰতিদিনে বৃদ্ধি পাই আছে। ইতিমধ্যে এই ৰোগীৰ সংখ্যাই ৫ হাজাৰ অতিক্ৰম কৰিছে। এই প্ৰকৰণকেইটাৰ ভয়াৱহতা অধিক নহয় বুলি চিকিৎসা বিজ্ঞানীসকলে প্ৰকাশ কৰিলেও

চীনত পুনৰ নতুনকৈ চিনাক্ত হোৱা ক'ৰোনাৰ প্ৰজাতিয়ে ভয়াৱহত নমাই আনিব বুলি শংকা ব্যক্ত কৰিছে। চীনৰ বিজ্ঞানীগৰাকীয়ে প্ৰকাশ কৰা মতে, নতুন ভাইৰাছটোত আক্ৰান্ত হোৱাৰ পিছত মৃত্যু হোৱা লোকৰ সংখ্যা এক তৃতীয়াংশ। অৰ্থাৎ এই ভাইৰাছটোৰে সংক্ৰমণ কৰাৰ পিছত মৃত্যুৰ শংকা থাকে। তাৎপৰ্যপূৰ্ণ যে ২০২০ চনত ক'ভিড-১৯ৰ অতিমাৰীৰ সময়তে চীনৰ এটা গৱেষণাত নতুনকৈ চিনাক্ত হোৱা ভাইৰাছটোৰ পৰীক্ষা চলোৱা হৈছিল। সেই ভাইৰাছটো অতি সহজতে মানৱ দেহত সংক্ৰমিত হয় আৰু ই ভয়াৱহ ৰূপ ধাৰণ কৰে।

# ১০ অক্টোবৰত অনুষ্ঠিত হ'ব এডিআৰইৰ নিযুক্তিপত্ৰ প্ৰদান অনুষ্ঠান



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যৰ শিক্ষিত যুৱক-যুৱতীসকললৈ ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বৃহৎ ঘোষণা। মুখ্যমন্ত্ৰী ড° শৰ্মাই ফেচবুক লাইভযোগে ঘোষণা কৰে যে ১০ অক্টোবৰৰ দিনাখন ৰাজ্য চৰকাৰে স্নাতকোত্তৰ শিক্ষক, স্নাতক শিক্ষক, এলপি-এমই শিক্ষক, স্বাস্থ্য বিভাগ, অসম আৰক্ষী, এডিআৰই পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ আটাইকে একেলগে খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত প্ৰদান কৰা হ'ব নিযুক্তিপত্ৰ। মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াকো কয় যে যিসমূহ বিভাগৰ বিশেষকৈ আৰক্ষী আৰু স্বাস্থ্য বিভাগৰ খালী পদৰ বিপৰীতে লিখিত পৰীক্ষা অনুষ্ঠিত হৈ গৈছে, সেই সকলো পৰীক্ষাৰ ফলাফল নিৰ্দিষ্ট সময়ত ঘোষণা কৰি ড° অক্টোবৰৰ দিনা প্ৰদান কৰা হ'ব নিযুক্তিপত্ৰ। মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়া মতে এডিআৰই নতুন আৰু আৰক্ষী বিভাগৰ খালী পদৰ বিপৰীতে হ'বলগা বিজ্ঞাপন নৱেম্বৰ মাহত প্ৰকাশ কৰা হ'ব। আনহাতে, মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে যে অহা ১৭ জুনত এডিআৰইৰ তৃতীয়বৰ্গৰ মৌখিক পৰীক্ষা অনুষ্ঠিত হ'ব। ১৭ জুনৰ পৰা এডিআৰইৰ তৃতীয়বৰ্গৰ প্ৰাৰ্থীয়ে কম্পিউটাৰ পৰীক্ষা, ষ্টেনোগ্ৰাফাৰ পদৰ বাবে পৰীক্ষা, গাড়ীচালক পদৰ বাবে পৰীক্ষা দিব লাগিব। আনহাতে, চতুৰ্থবৰ্গৰ প্ৰাৰ্থীসকলেও স্কিল টেষ্ট আৰু মৌখিক পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। এই পৰীক্ষাসমূহ অহা ১৫ জুলাইৰ (দহ পৃষ্ঠাত চাওক)

# চেনাব নদীৰ ওপৰত বিশ্বৰ সৰ্বোচ্চ ৰে'ল দলং উদ্বোধন প্ৰধানমন্ত্ৰীৰ

ৰঙিলী বাৰ্তাসেৱা- জম্মু-কাশ্মীৰৰ চেনাব নদীত নিৰ্মিত বিশ্বৰ সৰ্বোচ্চ ৰে'ল দলংখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰে। ইয়াৰ সমান্তৰালকৈ তেওঁ দেশৰ প্ৰথমখন কেব'ল ষ্টেড ৰে'ল দলং অঞ্জি দলঙো উদ্বোধন কৰে। মুঠ ৪৬ হাজাৰ কোটি টকাৰ এই প্ৰকল্প দেশবাসীৰ বাবে তেওঁ উৎসৰ্গা কৰে। জম্মু-কাশ্মীৰৰ উন্নয়নত নতুন যুগৰ সূচনা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্বৰ সৰ্বোচ্চ একক তোৰণ ৰে'লৰে দলঙৰ সমান্তৰালকৈ কাট্ৰাৰ পৰা শ্ৰীনগৰলৈ দুখন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লৰ শুভাৰম্ভ কৰে। কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ ৰে'লপথ সংযোগৰ সপোনক বাস্তৱায়িত কৰাৰ প্ৰসংগ উত্থাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে জম্মু-কাশ্মীৰৰ বিকাশৰ ক্ষেত্ৰত কোনো বাধা আহিলেই প্ৰথমে তাৰ মুখামুখি মোদী হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। কেন্দ্ৰীয়শাসিত অঞ্চলটোত পাকিস্তানৰ পৃষ্ঠপোষকতাত চলি থকা সন্ত্ৰাসবাদী কাৰ্যকলাপ আৰু ভাৰতীয় সশস্ত্ৰ সেনাৰ অপাৰেচন সিন্দুৰৰ প্ৰসংগ উত্থাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত জম্মু-কাশ্মীৰবাসীয়ে একতাৰ যি শক্তি দেখুৱালে তাৰ দ্বাৰা কেৱল পাকিস্তান নহয়, সমগ্ৰ বিশ্বৰ সন্ত্ৰাসবাদীয়ে শক্তিশালী বাৰ্তা পালে। এমাহ পূৰ্বেই পাকিস্তানী সন্ত্ৰাসবাদীয়ে এই অঞ্চলটোলৈ অন্ধকাৰ নমাইছিল। এতিয়া পাকিস্তানে য'তেই অপাৰেচন সিন্দুৰৰ নাম শুনে তেতিয়াই লজ্জাজনক পৰাজয় মনত ৰাখিব। পাকিস্তানী সেনা আৰু সন্ত্ৰাসবাদীয়ে কেতিয়াও কল্পনা কৰা নাছিল যে ভাৰতে



পাকিস্তানত প্ৰৱেশ কৰি সন্ত্ৰাসবাদীৰ বিৰুদ্ধে এনে বিধ্বংসী আক্ৰমণ চলাব। বছৰ বছৰ ধৰি নিৰ্মাণ কৰা সন্ত্ৰাসবাদৰ ঘাটি মিনিটতে ভাৰতীয় সেনাই ধূলিৰ সৈতে মিলাই দিছিল। জম্মু-কাশ্মীৰৰ জীৱিকা আৰু মানৱতাৰ বিৰুদ্ধে পাকিস্তানে আক্ৰমণ চলাই আছে। কাশ্মীৰৰ একক আত্মা আৰু মানৱতাৰ ওপৰত পাকিস্তানে আক্ৰমণ চলাইছে। ভাৰতীয় সশস্ত্ৰ সেনাই অপাৰেচন সিন্দূৰৰ জৰিয়তে আত্মনিৰ্ভৰ ভাৰতৰ শক্তি দেখুৱালে। উল্লেখ্য যে উধমপুৰ-শ্ৰীনগৰ-বাৰামূলা ৰে'ল সংযোগী প্ৰকল্পৰ মূল উপাদান হিচাপে চৰ্চিত বিশ্বৰ সৰ্বোচ্চ ৰে'লৰে দলংখনে কাশ্মীৰ উপত্যকাৰ সৈতে ভাৰতৰ অন্য প্ৰান্তক সংযোগ কৰিব। শ্ৰীমাতা বৈষ্ণোদেৱী, কাট্ৰা আৰু শ্ৰীনগৰৰ মাজত দুখন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লৰ চলাচলৰ শুভাৰম্ভও কৰে মোদীয়ে। চেনাব দলং উদ্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- এতিয়া দেশ-বিদেশৰ পৰ্যটকে কেৱল কাশ্মীৰ চাবলৈয়ে নাযায়, চেনাব নদীৰ দলংখনো পৰ্যটকৰ আকৰ্ষণীয় স্থান হ'ব। বিশ্বখ্যাত আইফেল টাৱাৰতকৈও সুউচ্চ চেনাব নদীৰ ৰে'লৰে দলংখনত আছে অত্যাধুনিক প্ৰযুক্তিৰ কৌশল। চেনাব দলংখন ১, ৩১৫ মিটাৰ, নদীৰ জলপৃষ্ঠৰ পৰা ৩৫৯ উচ্চতাত নিৰ্মিত। স্থাপত্য আৰু অভিযান্ত্ৰিক কৌশলৰ মিশ্ৰন এই দলংখন অতি আকৰ্ষণীয়। ভিএছএল ইণ্ডিয়া আৰু এফকন ইনফ্ৰাষ্ট্ৰাকচাৰে দক্ষিণ কোৰিয়াস্থিত আল্ট্ৰা কনষ্ট্ৰাকচন এন ইঞ্জিনীয়াৰিং কোম্পানীৰ সৈতে অংশীদাৰিত্ব কৰি ডিজাইন আৰু নিৰ্মাণ কৰিছে। দেশৰ সবাতোকৈ প্ৰত্যাহ্বানমূলক আৰু দুৰ্গম অঞ্চলত নিৰ্মিত এই (দহ পৃষ্ঠাত চাওক)

# পৰিৱেশ কৰ্মী, জেষ্ঠ সাংবাদিক উত্তম শইকীয়ালৈ অসম চৰকাৰৰ পৰিৱেশ মিত্ৰ সন্মান




ৰঙিলী বাৰ্তাসেৱা- অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ লগতে বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ যৌথ উদ্যোগত গুৱাহাটীত থকা প্ৰতিষ্ঠানটোৰ প্ৰেক্ষাগৃহত আয়োজিত বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত বোকাখাতৰ জেষ্ঠ সাংবাদিক তথা পৰিৱেশ কৰ্মী উত্তম শইকীয়াক পৰিৱেশ মিত্ৰ বঁটা প্ৰদান কৰা হয়। পৰিৱেশ দিৱসৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ মন্ত্ৰী কেশৱ মহন্তই সুদীৰ্ঘ দিন বন, প্ৰকৃতি আৰু বন্যপ্ৰাণীৰ বাবে কাম কৰি অহা উত্তম শইকীয়াক এই বঁটা প্ৰদান কৰে। অনুষ্ঠানত অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ড° জয়দীপ বৰুৱা, বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ সঞ্চালক প্ৰফেচৰ আশীষ কুমাৰ মুখাৰ্জী আৰু বিশিষ্ট বিজ্ঞানী ড° বিনয় কুমাৰ শইকীয়াৰ উপৰিও বিশিষ্ট বিজ্ঞানী, গৱেষক আৰু ছাত্ৰ ছাত্ৰীও উপস্থিত থাকে। অনুষ্ঠানত উত্তম শইকীয়াৰ লগতে বিশিষ্ট পৰিৱেশ কৰ্মী জয়ন্ত শৰ্মা আৰু ওদালগুৰিৰ পৰিৱেশ কৰ্মী জয়ন্ত। দাসকো পৰিৱেশ মিত্ৰ বঁটা প্ৰদান কৰাৰ উপৰিও ৰাজ্যৰ বিভিন্ন প্ৰান্তৰৰ ৪ খন বিদ্যালয়ক শ্ৰেষ্ঠ ইক' ক্লাব বঁটাও প্ৰদান কৰা হয়। উল্লেখ্য যে নিৰলস ভাৱে বন আৰু প্ৰকৃতিৰ বাবে সেৱা আগবঢ়াই অহা জেষ্ঠ সাংবাদিক উত্তম শইকীয়াই ইয়াৰ পূৰ্বে ২০০৩ চনত আচাম ট্ৰিবিউন কাকতে প্ৰদান কৰা আৰ এন বৰুৱা আৰু প্ৰতিভা বৰুৱা সোঁৱৰণী শ্ৰেষ্ঠ সাংবাদিকতাৰ বঁটা, ২০০৭ চনত আপকুয়ে প্ৰদান কৰা শ্ৰেষ্ঠ যুৱ সাংবাদিক বঁটা, ২০০৯ চনত বানেশ্বৰ মহন্ত সোঁৱৰণী কাজিৰঙা নিউজ নেটৱৰ্ক বঁটা, ২০১৪ চনৰ অসম চৰকাৰৰ পৰ্যটন বিকাশ বঁটা, ২০১৮ চনত বালিপাৰা ফাউণ্ডেচনৰ গ্ৰীন জাৰ্নেলিষ্ট বঁটা, ২০২৪ চনত কমাৰগাওঁ প্ৰেছ ক্লাবৰ গৰীয়সী বঁটাৰ উপৰিও উক্ত সময়তেই ৰাষ্ট্ৰসংঘৰ ইক্ৰম নামৰ সংগঠনৰ আমন্ত্ৰণত ক্ৰুয়েচিয়া দেশৰ ট্ৰগীৰত আয়োজিত বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ এক আন্ত:ৰাষ্ট্ৰীয় কৰ্মশালাত কাজিৰঙাক প্ৰতিনিধিত্ব কৰি অংশ গ্ৰহণ কৰিছিল। উত্তম শইকীয়া বোকাখাত প্ৰেছ ক্লাবৰ সম্পাদক। অসম ৰাজ্যিক সাংবাদিক সন্থা, বোকাখাত মহকুমা সাংবাদিক সংস্থা, ৰাইজৰ খবৰ, বোকাখাত প্ৰেছ ক্লাৱ, আদিয়ে জেষ্ঠ সাংবাদিকগৰাকীক অভিনন্দন জনায়।

# মহানগৰীৰ ৰূপনগৰত ভয়ংকৰ ভূমিস্খলন



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী মহানগৰীত সংঘটিত হৈছে ভয়ানক ভূমিস্খলনৰ ঘটনা। মহানগৰীৰ ৰূপনগৰত শুকুৰবাৰে নিশা এই ভয়ংকৰ ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। এই ভূমিস্খলনৰ ঘটনাত দুটা ঘৰ প্ৰায় ধ্বংসস্তূপত পৰিণত হোৱাৰ বিপৰীতে এগৰাকী ব্যক্তি ধ্বংসস্তুপত আৱদ্ধ হৈ পৰিছে। শুকুৰবাৰে নিশা ১১.৩০ বজাত সংঘটিত হৈ এই ঘটনা। পাহাৰৰ ওপৰৰ পৰা প্ৰকাণ্ড শিল খহি দুটা পৰিয়ালৰ ঘৰৰ ওপৰত পৰে আৰু ইয়াৰ ফলত দুয়োটা বাসগৃহ ধ্বংস হয় । এই ভূমিস্খলনৰ ফলত বিনয় সিং আৰু ৰেণু বৰ্মন নামৰ ব্যক্তি দুগৰাকী বাসগৃহ ধ্বংস হৈছে। আনহাতে ঘটনাত নিৰুদ্দিষ্ট হৈ থকা লোকজনক মনেশ্বৰ ৰাজবংশী বুলি চিনাক্ত কৰা হৈছে। নিৰুদ্দিষ্ট মনেশ্বৰ ৰাজবংশী ৰেণু বৰ্মনৰ তোলনীয়া পুত্ৰ বুলি জানিব পৰা গৈছে। এতিয়াও ধ্বংসস্তুপত আবদ্ধ হৈ আছে লোকজনক উদ্ধাৰৰ বাবে প্ৰশাসনে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ভূমিস্খলনৰ ফলত হোৱা শব্দ শুনি উমান বুজি কিছুলোক নিৰাপদ স্থানলৈ আঁতৰি গৈছিল যদিও মনেশ্বৰ ৰাজবংশীয়ে এই শব্দ কিয় উদ্ভৱ হৈছে চাবলৈ ওলাই গৈছিল। কিন্তু (দহ পৃষ্ঠাত চাওক)

# এআইৰ জৰিয়তে বন ধ্বংস নিৰীক্ষণ কৰিব পৰাকৈ প'ৰ্টেল মুকলি মুখ্যমন্ত্ৰীৰ




ৰঙিলী বাৰ্তাসেৱা- ৰাজ্য চৰকাৰৰ বন আৰু পৰিৱেশ বিভাগৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত বিশ্ব পৰিৱেশ দিৱসত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। পৰিৱেশ সুৰক্ষাৰ দিশত ৰাজ্য চৰকাৰৰ যুঁজখন সবলভাৱে আগুৱাই নিয়াত সহায় হোৱাকৈ অনুষ্ঠানত বন আৰু পৰিৱেশ বিভাগৰ ১২৯খন বাহনৰ ফ্লেগ অফ কৰে মুখ্যমন্ত্ৰীয়ে। তদুপৰি তেওঁ অসম বন সুৰক্ষা বাহিনীৰ তিনিটা বেটেলিয়নৰ কমাণ্ডোসকললৈ অস্ত্ৰ প্ৰদানৰ উপৰি এটা ৰেৰ প'ৰ্টেলো আনুষ্ঠানিকভাৱে মুকলি কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত কয় যে সমগ্ৰ পৃথিৱীৰ লগতে অসমতো বিশ্ব পৰিৱেশ দিৱস পালন কৰা হৈছে। এই বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক নিজৰ মাতৃৰ নামত এজোপাকৈ গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনাইছিল। এই আহ্বানক আৰু এখোজ আগুৱাই নি আজি এটা প'ৰ্টেল মুকলি কৰা হৈছে আৰু ইয়াৰ জৰিয়তে প্ৰতিগৰাকী ব্যক্তিয়ে নিজৰ মাতৃৰ নামত গছপুলি ৰোপণ কৰি প'ৰ্টেলত আপলোড কৰিব পাৰিব বুলিও তেওঁ কয়। তদুপৰি গছডাল ডাঙৰ হৈ গ'লে প'ৰ্টেলত আপলোড কৰি গৈ থাকিব পাৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে ২০২৪ চনত ৭০ লাখ বৃক্ষ নিজৰ মাতৃৰ নামত ৰোপণ কৰিবলৈ ভাৰত চৰকাৰে অসম চৰকাৰক অনুৰোধ কৰিছিল। এই সময়ছোৱাত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰমি ২২ লাখতকৈ অধিক গছপুলি ৰোপণ কৰিবলৈ ৰাজ্য চৰকাৰ সক্ষম হৈছে। চলিত বছৰত এনেদৰে আৰু বহু ব্যক্তিক ৰাজ্য চৰকাৰে অনুপ্ৰাণিত কৰিব পৰা যাব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। কৃত্ৰিম বুদ্ধিমত্তা (এআই) আৰু ছেটেলাইটৰ সহায়ত বন ধ্বংস, বনভূমিৰ ক্ষতি আদি সঠিক সময়ত চাব পৰাকৈ এটা প'ৰ্টেল মুকলি কৰাৰ কথা ব্যক্ত কৰি (নপৃষ্ঠাত চাওক)

# ৰাজহ বিভাগৰ উচ্ছেদৰ

কৰা বা উচ্ছেদৰ ভাবুকি প্ৰদান কৰা কাৰ্যক ভাৰতীয় জনতা পাৰ্টী ওদালগুৰি জিলা সমিতিয়ে অসন্তুষ্টি প্ৰকাশ কৰিছে। ইয়াৰ লগতে গোলমাগাঁও আৰু চ ফুহুৰাবীৰ চৰকাৰী ভূমিত বসবাস কৰা বড়ো, অসমীয়া, গোৰ্খা, বিহাৰী, আদিবাসী, চাওতাল যিকোনো খিলঞ্জীয়া জনগোষ্ঠীৰ লোকসকল কোনো ধৰণৰ উচ্ছেদ কৰা বা উচ্ছেদৰ ভাবুকি প্ৰদান কৰা কাৰ্যৰ পৰা বিৰত থাকিবলৈ বিজেপিয়ে দাবী জনাইছে। ইয়াৰ লগেতে এই অঞ্চলৰ ভূমিত অনতিপলমে ভূমি পট্টা প্ৰদান কৰিবলৈ বিটিআৰ পৰিষদক অনুৰোধ জনাইছে। অসম বিজেপিৰ ৰাজ্যিক মুখপাত্ৰ কিশোৰ উপাধ্যায়ে কয়- ওদালগুৰিৰ বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে সেইসকল লোকৰ ভোট লৈ জয়যুক্ত হৈছে, কিন্তু উচ্ছেদৰ ক্ষেত্ৰত নিমাত গোবিন্দ চন্দ্ৰ বসুমতাৰী। বিটিআৰত ড্ৰাইভাৰ যেতিয়া ভাৰতীয় জনতা পাৰ্টী হ'ব সিদিনাৰ পৰাই বিটিচিৰ খিলঞ্জীয়া লোকে মাটিৰ অধিকাৰ পাবলৈ সক্ষম হ'ব। ওদালগুৰি আয়ুক্ত কাৰ্যালয়ত উপস্থিত হৈ স্মাৰক-পত্ৰ প্ৰদান কৰাৰ সময়ত উপস্থিত আছিল বিজেপিৰ ওদালগুৰি জিলাৰ প্ৰভাৰী ৰঞ্জীৱ শৰ্মা, ওদালগুৰি জিলা বিজেপিৰ সাধাৰণ সম্পাদক অজয় কুমাৰ হাজৰিকা, ওদালগুৰি জিলা বিজেপিৰ উপ-সভাপতি মিনন মোচাহাৰী, ওদালগুৰি জিলা বিজেপিৰ কোষাধ্যক্ষ গাঙ্গা খুংগুৰ বসুমতাৰী, ডম্বৰ খৰ্কা সভাপতি ভৈৰৱকুণ্ড মণ্ডল সমিতি, বিষ্ণু শৰ্মাকে ধৰি জিলা বিজেপিৰ সদস্যসকল উপস্থিত থাকে।

# দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাক মৃত্যুৰ ভাবুকি




ৰঙিলী বাৰ্তাসেৱা- দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাক মৃত্যুৰ ভাবুকি। এক ফোনকল যোগে মুখ্যমন্ত্ৰী গুপ্তাক মৃত্যুৰ ভাবুকি দিয়াৰ পিছতেই আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। তথ্য মতে বৃহস্পতিবাৰে নিশা প্ৰায় ১১ বজাত গাজীয়াবাদ আৰক্ষীয়ে আৰক্ষী নিয়ন্ত্ৰণকক্ষৰ পৰা এই তথ্য লাভ কৰিবলৈ সক্ষম হয় যে, কোনো অচিনাক্ত ব্যক্তিয়ে দিল্লীৰ মুখ্যমন্ত্ৰী গুপ্তাক মৃত্যুৰ ভাবুকি প্ৰদান কৰিছে। গাজিয়াবাদ আৰক্ষীয়ে এই বিষয়টো লগে লগে দিল্লী আৰক্ষীক অৱগত কৰে। দিল্লী আৰক্ষীয়ে তৎপৰতাৰে কল কৰা ফোন নম্বৰ সংগ্ৰহ কৰি তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে যিটো ফোন নম্বৰৰ পৰা দিল্লী মুখ্যমন্ত্ৰীগৰাকীক মৃত্যুৰ ভাবুকি প্ৰদান কৰা হৈছে সেই ফোন নম্বৰটো বৰ্তমান ছুইটছ অফ হৈ আছে। এইলৈ আৰক্ষী বিপাঙত পৰিছে যদিও তদন্ত অভিযান অব্যাহত আছে।

# অসমৰ বিভিন্ন স্থানত বানপীড়িত সকলৰ কাষত এবিভিপি



ৰঙিলী বাৰ্তাসেৱা- অসমৰ বহু কেইখন জিলাত শেহতীয়াকৈ হোৱা ভয়াবহ বান পৰিস্থিতিত জিলা কেইখনত স্বাভাৱিক জীৱন ব্যাহত হোৱাৰ লগতে বৰ্তমানেও শিক্ষানুষ্ঠান সমূহ বন্ধ হৈ আছে। পানীৰ কবলত পৰা এনে পৰিস্থিতিত বানপীড়িত সকলক বিভিন্ন প্ৰকাৰে সহায়ৰ হাত আগবঢ়াইছে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে। বিশেষকৈ লক্ষীমপুৰ, হাইলাকান্দি, শ্ৰীভূমি জিলাৰ বিভিন্ন অঞ্চলত বিদ্যাৰ্থী পৰিষদে খাদ্য সামগ্ৰী, কাপোৰ, ঔষধ আদি বিতৰণ কৰে। এই সমূহ জিলাত আশ্ৰয় শিবিৰত থকা লোক সকলক কাৰ্যকৰ্তা সকলে ভোজন, বিশুদ্ধ খোৱা পানী আদিৰ ব্যৱস্থা কৰাই। বানপানীৰ সময়ত বিভিন্ন স্থানত বিদ্যাৰ্থী পৰিষদৰ কাৰ্যকৰ্তা সকলে প্ৰশাসনৰ লগত বিভিন্ন স্থানত উদ্ধাৰ অভিযানতো অংশগ্ৰহণ কৰি উদ্ধাৰ অভিযান ত্বৰান্বিত কৰাত সহায় কৰে।

# ৰাজ্যসভাৰ প্ৰাৰ্থী বাছনি তিনিজনীয়া সমিতি গঠন অগপৰ




ৰঙিলী বাৰ্তাসেৱা- অগপৰ ৰাজ্যসভাৰ প্ৰাৰ্থী বাচনি সন্দৰ্ভত বৃহস্পতিবাৰে গুৱাহাটীৰ আমবাৰীস্থ দলৰ মুখ্য কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই গুৰুত্বপূৰ্ণ সভাতে অসম গণ পৰিষদ (অগপ)ই এখন তিনিজনীয়া সমিতি গঠন কৰে। সৰ্বসন্মতিক্ৰমে সভাপতি অতুল বৰাৰ নেতৃত্বত সমিতিখন গঠন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সমিতিখনত সদস্য হিচাপে থাকিব কাৰ্যকৰী সভাপতি কেশৱ মহন্ত আৰু সাংসদ ফণীভূষণ চৌধুৰী। বৈঠকখনৰ অন্তত সংবাদ মাধ্যমৰ আগত সভাপতি বৰাই কয় যে অগপ দলৰ বিষয়ববীয়াসকলৰ সভাখনত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হৈছে। আমাৰ সন্মুখত ৰাজ্যসভাৰ নিৰ্বাচন আছে। ভাৰতীয় জনতা পাৰ্টীৰ সৈতে আলোচনা কৰি প্ৰতিদ্বন্দ্বিতাৰ বাবে এখন আসন আমি লাভ কৰিছোঁ। যথেষ্টসংখ্যক কৰ্মকৰ্তাই ৰাজ্যসভাৰ প্ৰাৰ্থিত্বৰ বাবে আবেদন কৰিছে। সেয়েহে দলৰ সভাপতি, কাৰ্যকৰী সভাপতি আৰু সাংসদ ফণীভূষণ চৌধুৰীক লৈ এখন সমিতি গঠন কৰি দিয়া হৈছে। কাৰ্যকৰী সভাপতি কেশৱ মহন্ত আৰু সাংসদ ফণীভূষণ (নপৃষ্ঠাত চাওক)

# গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ সামূহিক চিকিৎসা বিভাগে ২০২৫ চনৰ ৫ জুন তাৰিখে বৃক্ষৰোপণ কাৰ্যৰ জৰিয়তে বিশ্ব পৰিবেশ দিৱস উদ্‌যাপন কৰে। উক্ত অনুষ্ঠানত সভাপতিত্ব কৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মুখ্য অধীক্ষক তথা অধ্যক্ষ অধ্যাপক ডাঃ অচ্যুত ( নপৃষ্ঠাত চাওক)

# শ্বহীদ কনকলতা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ বাবে ৪০০ কোটি টকাৰ অনুমোদন ৰাজ্য চৰকাৰৰ




ৰঙিলী বাৰ্ত্তাসেৱা- বুধবাৰে লোকসেৱা ভৱনত ৰাজ্যিক কেবিনেটৰ বৈঠক অনুষ্ঠিত হয় । মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ৰাজ্যিক কেবিনেটে গ্ৰহণ কৰিলে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত। মুখ্যমন্ত্ৰী ড° শৰ্মাই লোকসেৱা ভৱনত এক সংবাদ মেল সম্বোধন কৰি ৰাজ্যিক কেবিনেটৰ সিদ্ধান্তৰ কথা সদৰী কৰি কয় যে কেবিনেটে গহপুৰস্থিত শ্বহীদ কনকলতা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ বাবে ৪০০ কোটি টকা প্ৰদানত প্ৰশাসনিক অনুমোদন জনাইছে। বিশ্ববিদ্যালয়খনে ইণ্ডাষ্ট্ৰীৰ ৫.০ৰ প্ৰয়োজনীয়তাৰ প্ৰতি সামঞ্জস্য ৰাখি এআই, কোৱান্টাম কম্পিউটিং আদি আধুনিক পাঠ্যক্ৰমৰ সুবিধা প্ৰদান কৰিব। আনহাতে কেবিনেটে গৱেষণাৰ শিক্ষাৰ্থীসকলৰ বাবে মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিত অনুমোদন প্ৰদান কৰে। এই আঁচনিৰ জৰিয়তে অসমৰ চৰকাৰী প্ৰতিষ্ঠানত নামভৰ্তি কৰা সম্পূৰ্ণ সময়ত দিব্যাংগ গৱেষণা অধ্যয়নকাৰী অন্তৰ্ভুক্তিৰে যোগ্য বিবেচিত পূৰ্ণকালীন গৱেষক শিক্ষাৰ্থীসকলক এককালীন আৰ্থিক সাহায্য প্ৰদান কৰিব। ( নপৃষ্ঠাত চাওক)

# মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত বৈঠক

ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্ববন্দিত গণশিল্পী, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত লোকসেৱা ভৱনত মূল সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত বহুমুখী প্ৰতিভাধৰ আজন্ম শিল্পীগৰাকীৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী সফলভাৱে ৰূপায়ণৰ বিভিন্ন দিশ আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে চলিত বৰ্ষৰ ৮ ছেপ্টেম্বৰৰ পৰা অহা বৰ্ষৰ ৮ ছেপ্টেম্বৰলৈ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদ্যাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে যিদৰে উদযাপন কৰিব বিচাৰিছে ঠিক একেদৰে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিবিশেষৰ উদ্যোগতো জন্ম শতবাৰ্ষিকী উদযাপন হোৱাটো বিচাৰে। ৰাজ্য চৰকাৰে জনগণৰ অনুষ্ঠান হিচাপে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী পালন কৰিব বিচাৰিছে। শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকী যাতে স্বতঃস্ফূৰ্তভাৱে উদযাপিত হয় তাৰ বাবে ৰাজ্য চৰকাৰে জনসাধাৰণক প্ৰেৰণা যোগোৱাৰ লগতে এইক্ষেত্ৰত সকলো ধৰণৰ সহযোগিতা আগবঢ়াব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, গণশিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ অংশ হিচাপে ডিব্ৰুগড় বিমানকোঠটোক ড° ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা হাতত লৈছে। এই প্ৰক্ৰিয়াটো ইতিমধ্যে আগুৱাই লৈ যোৱা হৈছে আৰু অসম চৰকাৰৰ কেবিনেটে এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম বিধানসভাই ইয়াক গ্ৰহণ কৰাৰ পিছত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হ'ব। ড° ভূপেন হাজৰিকাৰ নামত কেইবাবাৰো ডাকটিকট মুকলি কৰিছে যদিও শিল্পীগৰাকীৰ নামত বৰ্তমানলৈকে মুদ্ৰা মুকলি হোৱা নাই।



এইক্ষেত্ৰত ৰাজ্য চৰকাৰে ৰিজাৰ্ভ বেংক অব ইণ্ডিয়া আৰু বিত্ত মন্ত্ৰণালয়ৰ লগত যোগাযোগ কৰিছে যাতে এই শতবাৰ্ষিকীৰ স্মৃতি অধিক যুগমীয়া কৰিব পৰা যায়। শিল্পীগৰাকীৰ জীৱন আৰু কৃতী সকলোৱে অধ্যয়ন কৰিব পৰাকৈ এখন গ্ৰন্থ প্ৰকাশৰ বাবে অসম প্ৰকাশন পৰিষদে বিশিষ্ট সাহিত্যিক, সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীক দায়িত্ব অৰ্পণ কৰিছিল। সাহিত্যিকগৰাকীয়ে ইতিমধ্যে ৰাজ্য চৰকাৰক খচৰা দাখিল কৰিছে। এই পুথিখন প্ৰকাশৰ পিছত দেশৰ ২৩টা ভাষালৈ ইয়াক অনুবাদ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে পুথিভঁৰাল, শিক্ষানুষ্ঠানকে ধৰি ভাৰতবৰ্ষত ৪ লাখ বিদ্যায়তনিক (নপৃষ্ঠাত চাওক)

# আৰচিবিৰ বিজয় উৎসৱত পদপিষ্টত হৈ ১১জনৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- আইপিএলত প্ৰথমবাৰৰ বাবে চেম্পিয়ন হোৱা আৰচিবিৰ বিজয় উৎসৱ উপভোগ কৰিবলৈ গৈ ১১ জনকৈ লোকে মৃত্যুক সাবটিলে। সুদীৰ্ঘ ১৮ বছৰৰ অন্তত ২০২৫ চনৰ আইপিএলৰ খিতাপ দখল কৰিবলৈ সক্ষম হয় ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে। চেম্পিয়ন দলটোক বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত সম্বৰ্ধনা জনোৱাৰ বাবে এক অনুষ্ঠানৰ আয়োজন কৰা হয়। কিন্তু সেই সময়তে সংঘটিত হয় এক অনাকাংক্ষিত ঘটনা। এম চিন্নাস্বামী ষ্টেডিয়ামৰ ওচৰত হোৱা ভিৰৰ সময়ত পদপিষ্ট হৈ ( নপৃষ্ঠাত চাওক)

# দেশজুৰি দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব লোকপিয়ল



ৰঙিলী বাৰ্ত্তাসেৱা- দেশজুৰি ২০২৭ চনত আৰম্ভ হ'ব লোকপিয়ল। সেই বছৰৰ ১ মাৰ্চৰ পৰা দেশত এই প্ৰক্ৰিয়া আৰম্ভ কৰিব চৰকাৰে। কিন্তু লাডাখ, জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ দৰে হিমালয়ে ঘেৰি থকা কেন্দ্ৰীয়শাসিত তথা ৰাজ্যৰ বিস্তীৰ্ণ অঞ্চলত সেই সময়ত অব্যাহত থাকিব তুষাৰপাত। বৰফে ঢাকি ৰাখিব বিভিন্ন অঞ্চল। গতিকে এই অঞ্চলসমূহত ২০২৬ৰ অক্টোবৰৰ পৰাই আৰম্ভ হ'ব লোকপিয়লৰ কাম। চৰকাৰী সূত্ৰৰ উদ্ধৃতি দি পিটিআইকে ধৰি কেইবাটাও সংবাদ সংস্থাই এই তথ্য প্ৰকাশ কৰিছে। চৰকাৰী নিয়ম অনুসৰি প্ৰতি ১০ বছৰৰ মূৰে মূৰে লোকপিয়ল হ'ব লাগে দেশজুৰি। অন্তিমবাৰ লোকপিয়ল হৈছিল ২০১১ চনত। সেই অনুসৰি ২০২১ চনত নতুন লোকপিয়ল হোৱাৰ কথা আছিল। কেন্দ্ৰীয় চৰকাৰে দাবী কৰা অনুসৰি ক'ৰোনা পৰিস্থিতিৰ বাবে সেয়া সম্ভৱ নহ'ল। অৱশ্যে ২০১৯ চনত সংশোধিত নাগৰিকত্ব আইন গৃহীত হোৱাৰ পিছত দেশজুৰি সৃষ্টি হোৱা উত্তেজনাৰ বাবে সেই সময়ত লোকপিয়লৰ কামৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ তৎপৰতা মোদী চৰকাৰে দেখুওৱা নাছিল বুলি বিৰোধীয়ে অভিযোগ তুলিছিল। তেতিয়াৰে পৰা বন্ধ হৈ আছে লোকপিয়লৰ কাম। ৫ বছৰ ধৰি এই প্ৰক্ৰিয়া স্তব্ধ হৈ থকাৰ পিছত অৱশেষত চৰকাৰে লোকপিয়ল আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। লক্ষণীয়ভাৱে মোদী চৰকাৰৰ আমোলত এয়া হ'ব প্ৰথমটো লোকপিয়ল। স্মৰ্তব্য যে যোৱা মাহত লোকপিয়লৰ সৈতে জাতিভিত্তিক জনগণনাৰ কথা ঘোষণা কৰিছিল কেন্দ্ৰীয় চৰকাৰে। সূত্ৰই দাবী কৰা অনুসৰি প্ৰশ্নোত্তৰৰ ভিত্তিত জাতি আৰু জনগোষ্ঠী সম্পৰ্কীয় বিভিন্ন তথ্যও এইবাৰৰ জনগণনাপৰ্বত সংগ্ৰহ কৰা হ'ব। অৰ্থাৎ লোকপিয়লত এইবাৰ জাতিভিত্তিক তথ্য সন্নিৱিষ্ট হ'ব। ২০২৮ চনৰ আৰম্ভণিতে লোকপিয়লৰ কাম সম্পূৰ্ণ হ'ব পাৰে বুলি ( নপৃষ্ঠাত চাওক)

# পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ



অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

আমাৰ পৃথিৱীখন পঞ্চভূত দ্ৰব্যৰ দ্বাৰা গঠিত। যেনে-বায়ু, মাটি, জল, অগ্নি, আকাশ এই সকলোবোৰ পঞ্চতত্ত্ব অবাঞ্চিত দ্ৰব্য প্লাষ্টিক আদি কিছুমান বস্তুৰ দ্বাৰ দূষিত হৈ জীৱকুলৰ লগতে পৃথিৱীৰ গছ-বিৰিখ সকলোলৈকে ভাবুকি কঢ়িয়াই অনিছে।

এই প্ৰদূষণ পৃথিৱীৰ পশু-পক্ষীৰ বা উদ্ভিদে সৃষ্টি কৰা নাই আমাৰ মানুহৰ দ্বাৰা সৃষ্টি। গছ-গছনিবোৰ কাটি নিজৰ লাভৰ বাবে কল -কাৰখানা তৈয়াৰী কৰিছে আমাৰ মানৱ জাতিয়ে। তাৰ পৰা নিৰ্গত হোৱা ধোঁৱাই বায়ুমণ্ডল দূষিত কৰি পেলাইছে। প্লাষ্টিক বস্তুবোৰ ব্যৱহাৰ তাক য'তে ত'তে পেলাই থৈ জীৱ-জন্তুবোৰৰ মৃত্যুৰ ভাবুকি কঢ়িয়াই অনাৰ লগতে খোৱা পানী জান - জুৰিবোৰ দূষিত হৈছে। পৃথিৱীৰ খোৱা পানীৰ মাত্ৰ ৩শতাংশ উপযোগী, তাকো মানৱ জাতিৰ দ্বাৰা দূষিত হয়।

যিমানে আমি উন্নতিৰ ফালে গতি কৰিছো গ্লৱেলাইজেছন ধ্বংস মুখলৈ গতি কৰিছে। মানুহে ডাঙৰ ডাঙৰ অট্টালিকা সজাবলৈ পাহাৰ পৰ্বত বোৰ সমতল কৰিছে, তাত থকা গছ বিৰিখ সকলো কাটি তাত বসতি কৰিছে। জীৱজন্তুৰ আলাই আথানি নোহোৱা হৈছে। খাদ্যৰ সন্ধানত বনৰীয়া প্ৰাণীয়ে বনাঞ্চল এৰি জনানঞ্চলৈ গতি কৰিছে। টিভিত প্ৰায়ে দেখিছোঁ হাটী মানুহৰ সংঘাট, ঘৰ দুৱাৰ ভাঙিছে। কৰ'ণাকে এটা সৰু ভাইৰাছ মানুহেই সৃষ্টি কৰি, পৃথিৱী তথা সমাজ ধ্বংস গ্ৰাহত পৰিছিল। আমাৰ অসমৰ বাঘজানৰ অগ্নিকাণ্ডৰ ফলত গছ গছনি ধ্বংশগ্ৰস্ত হোৱাৰ লগতে জীৱ কুলৰ যি আলাই আথানি হৈছিল সেয়া আমাৰ জীৱ শ্ৰেষ্ঠ মানৱৰ অৱদান। এতিয়া চাৰিওফালে বানপানী আমাৰ মানুহৰ কাৰণে হোৱা বুলি ক'লেও ভুল নহয়। নলা নৰ্দমা আদিত প্লাষ্টিকৰ পেকেট জাবৰ জোথৰ পেলাই ভৰ্তি যাৰ ফলত পানী যোৱা পথ বন্ধ।বনাঞ্চল সুৰক্ষিত ৰাখো, নদীৰ পানীত

( ছয় পৃষ্ঠাত চাওক)

# ক্ৰমবৰ্ধমান উৎসৱ প্ৰবনতাৰ কৱলত অসমীয়া সমাজ ব্যৱস্থা



ৰশ্মি ৰাণী বৈশ্য, শুৱালকুছি

অতি প্ৰাচীন কালৰে পৰা আমাৰ সমাজত বিভিন্ন পৰম্পৰা তথা উৎসৱ পাৰ্বনৰ প্ৰচলন হৈ আহিছে।উৎসৱ পাৰ্বনবোৰে সমাজত একতাৰ বান্ধোন সুদৃঢ় কৰাত সহায় কৰে। সেয়ে এইবোৰ সমাজৰ সকলো শ্ৰেণীৰ মানুহে সুন্দৰকৈ নিজৰ সামৰ্থ অনুসৰি পালন কৰি আহিছে। শান্তিপূৰ্ণভাবে, একাগ্ৰচিত্তে মানুহে উৎসৱ পাৰ্বনবোৰ পালন কৰিছিল, নাছিল তাত কোনো বাহ্যিকতাৰ পয়োভৰ। সেয়েহে উৎসৱ পাৰ্বন তথা পৰম্পৰাবোৰ পালন কৰোতে সমাজৰ ধনী দুখীয়া কোনোৱে আৰ্থিক সংকটৰ সন্মূখীন হোৱা নাছিল। কিন্তু বৰ্তমান এখন বিপৰীত প্ৰতিচ্ছৱিয়ে ভৱিষ্যত প্ৰজন্মলৈ এক অশুভ ইংগিত বহন কৰিছে । স্বীকাৰ কৰিব লাগিব যে উৎসৱ পাৰ্বনৰ যোগেদি সমাজত মিলাপ্ৰীতি আৰু একতাৰ ভাব গঢ়ি উঠে । ই সমাজত চলি থকা সংস্কৃতিও ৰক্ষা কৰে। কিন্তু অত্যধিক উৎসৱপ্ৰৱন মানসিকতাই আমাৰ উঠি অহা প্ৰজন্মক ক্ৰমাৎ যেন অধ্যয়নবিমুখ, আমোদপ্ৰিয় আৰু কৰ্মবিমুখ কৰি তুলিছে। অসমীয়া মানুহৰ উৎসৱ প্ৰৱন মানসিকতা এনে হাৰত বৃদ্ধি পাইছে যে এতিয়া এদিনীয়া উৎসৱবোৰো তিনিদিনীয়া হ'ল। মুঠতে আমি যেন উৎসৱৰ আনন্দতে মচগুল হৈ থাকিব বিচৰা হ'লো। জাতিটোৰ বাবে এয়া খুবেই পৰিতাপৰ কথা। যাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত। শৈক্ষিক পৰিবেশ বিনষ্ট হোৱাৰ ফলস্বৰূপে তেওঁলোক যেন ক্ৰমাৎ অধ্যয়ন বিমুখ হৈ পৰিছে। গাওঁ অঞ্চলত ইয়াৰ কুপ্ৰভাৱ অলপ বেছিকৈয়ে পৰিছে। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ কোনো যেন চিন্তিত নহয়। এফালে মুদ্ৰাস্ফীতি আনফালে অসমীয়া মানুহৰ উৎসৱপ্ৰৱন মানসিকতা যিয়ে মধ্যবিত্ত তথা দুখীয়া মানুহখিনিক আৰ্থিকভাবে কোঙা কৰাৰ উপক্ৰম হৈছে। আজিকালি বিয়াবোৰো উৎসৱমুখী হ'ল। বিয়া সবাহৰ আকাশলংঘী জাকজমকতা তথা আঢ্যৱন্ত লোকৰ বিয়াৰ বাজেট, খৰচৰ উৰ্ধমুখী ব্যয়ে সমাজৰ মধ্যবিত্ত আৰু দুখীয়া লোকৰ ওপৰত বেয়াকৈ প্ৰভাৱ পেলাইছে । ময়ুৰক দেখি শালিকাই পেশন ধৰাৰ দৰে আৰ্থিকভাবে দুৰ্বল খিনিয়েও ধনীক শ্ৰেণীৰ লগত ফেৰ মাৰিবলৈ গৈ ঋণগ্ৰস্ততাৰ কবলত পৰিবলগীয়া হৈছে । ঋণগ্ৰস্ততাৰে ককবকাই একাংশই কিছুমান অনৈতিক কামতো লিপ্ত হোৱা দেখা গৈছে। আনফালে একাংশই পৰিত্ৰানৰ উপায় নেদেখি আত্মহত্যাৰ পথো বাছি লৈছে। আজিকালি বিয়াবোৰত ৰীতি-নীতি, পৰম্পৰাক একাশৰীয়াকৈ থৈ ব্যয়বহুল অলংকাৰ, ৰভাতলী, বহিৰাগত খাদ্য তালিকাৰ যেন অঘোষিত প্ৰতিযোগিতা। দেখি শুনি এনে লাগে যেন সন্তানৰ বিয়াখন ধুমধামেৰে পতাৰ বাবেহে মাক বাপেকে গোটেই জীৱনটো সঞ্চয় কৰে। নিজস্ব নীতি নিয়ম, পৰম্পৰা সকলো জলাঞ্জলি দি আনৰ সংস্কৃতিক আকোৱালি লৈ নিজকে বহুত বেছি আধুনিক সজাবলৈ যোৱাটো যেন

( ছয় পৃষ্ঠাত চাওক)

# বাৰ উভতি চালে



দীপালী শইকীয়া গগৈ, আমগুৰি

জীৱনৰ আবেলি বেলাত
উভতি চাইছোঁ এৰি অহা দিনবোৰ
কত সুৱদী সুৰে অমৃত কণ্ঠই
হৃদয় জিনিলে
ৰুণুজুণুপঁপুৰ বজালে
কত শ্ৰান্ত সন্ধিয়াত
অলস সময় কটালোঁ
নিৰৰ্থক কথন মথনত
নীড়মুখী পখীৰ কলৰৱত
মন ময়ুৰী উৰা মাৰিছিল
কোনোবা অচিন অজানা প্ৰান্তলৈ
হাঁহিৰ চিম্ফনীত ৰজনজনাই গৈছিল
ভাৱ হৈছিল জীৱনটো যেন
এপৃথিৱী জোনাক মাথো
ইমান সৰল জানো জীৱনৰ গতিপথ
আউল নাভাগেই দেখোন।
পোৱা নোপোৱা প্ৰাপ্তি অপ্ৰাপ্তি
হাঁহি কান্দোন সুখ-দুখৰ
কজলা ৰঙেৰে ডাৱৰে জোনাকে
মায়াময় আমাৰ জীৱন তৰংগিণীৰ
আন্ধাৰ পোহৰৰ ইপাৰ সিপাৰ ।

# নিশাৰ এলান্ধু



যমুনা দুলু বৈশ্য, শুৱালকুছি

তোমাৰ ভ্ৰূকুতিতে আছে বিচিত্ৰ অলংকাৰ
আকুলতাৰ মেৰপাকেৰে অনুভূতি বিকাশ কৰা
চিন্তাৰ তৰঙ্গত নিজে ঢৌ খোৱা অথচ -
খোজৰ ভৰত স্বৰলিপিত সলোৱা নিজৰে প্ৰতিবিম্ব
পাৰিবানে তুলনা কৰিব নিশাৰ এলান্ধু নাশ কৰি
মাটি, আকাশ, পোহৰ, আন্ধাৰৰ স'তে
ফেৰ মাৰিব, হৃদয়তে বিচাৰি চোৱা,
কপটতা আঁতৰালে মনত শঙ্কাও নাথাকে জানা,
নালাগে অনিদ্ৰা, অনাহাৰে,খেপিয়াই ফুৰিব
সেইকথাকে ভাবি মইও কেতিয়াবা
নিঃশব্দৰ মাজতে বিলীন হওঁ,
হৃদয়হীনতাৰ মৰুভূমিত নোপোৱাৰ বেদনাৰে
পথভ্ৰষ্ট হ'বলৈ কি -কাৰণে যন্ত্ৰণাত ভূগিব লাগে
প্ৰেমৰ স্বীকৃতি দিবলৈ অপেক্ষা, অভিমানৰ
বয়সেও এদিন হাৰ মানিব... ঐ
দুচকুত থাকে নিৰৱে ভালপোৱাৰ স্মৃতিস্তম্ভ ।

# মই কৰ্ণেল ছোফিয়া কুৰেশ্বিয়ে কৈছোঁ



**নাছিৰ আহমেদ, শিমলাবাৰী, গোৱালপাৰা**

গুজৰাটৰ পবিত্ৰ উৰ্বৰ ভূমিত ভূমিষ্ঠ,
লালিতা- পালিতা কন্যা সন্তান
মই কৰ্ণেল ছোফিয়া কুৰেশ্বিয়ে কৈছোঁ-
মোৰ শৰীৰৰ সিৰা-উপসিৰাইদি প্ৰৱাহিত
লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ দৃঢ় সাহস,
ধৈৰ্য আৰু আত্ম-প্ৰত্যয়।
মোৰ মস্তিষ্কৰ জিনত সংলগ্ন হৈ আছে
তিনি পুৰুষ ধৰি সৈনিক-জীৱন পৰিক্ৰমা আৰু
দেশৰ সুৰক্ষাৰ বাবে আমাৰ পৰিয়ালৰ
আত্মোৎসৰ্গৰ বীৰত্বৰ কাহিনী।
অপাৰেশ্যন সিন্দূৰৰ নেত্ৰী
মই কৰ্ণেল ছোফিয়া কুৰেশ্বিয়ে কৈছোঁ
মোৰ ভাৰত মাতৃৰ কপালৰ সেন্দূৰ মচি পেলোৱা
এই সন্ত্ৰাসবাদীৰ ঘাঁটি উচ্ছেদ কৰি
ধৰ্মৰ কোনো পৰিচয় নুসুধি
মই সিহঁতক তিলতিলকৈ হত্যা কৰিম।
মই কৰ্ণেল ছোফিয়া কুৰেশ্বি
ভাৰতীয় মুছলমান নাৰী
কোনো সন্ত্ৰাসবাদী নহয় ;
কাৰণ সন্ত্ৰাসবাদীৰ কোনো ধৰ্ম নাই,
নাই কোনো জাতি।
মোক সন্ত্ৰাসবাদীৰ ভগ্নী বুলি উপহাস কৰা
কট্টৰ হিন্দুত্ববাদী ৰাক্ষস বিজয় শ্বাহৰ
বুকুৰ কলিজা ছিঙি পঁচা নৰ্দমাত দলিয়াই দিমেই।
মই কৰ্ণেল ছোফিয়া কুৰেশ্বি ভাৰতীয় সেনা-
ভাৰত মাতৃৰ হকে প্ৰাণপণে যুঁজি
হয় সন্ত্ৰাসবাদমুক্ত ভাৰত গঢ়ি তুলিম
নাইবা শ্বহীদ বৰণ কৰি জান্নাতবাসী হ'ম!

# পৰিৱেশ প্ৰদূষণ আৰু

দুষিত নকৰোঁ। কিছুমান জনজাগৰণৰ পদক্ষেপ লওঁ তেতিয়া প্ৰদূষণ মুক্ত হ'ব আৰু সমাজ তথা ধৰা খন সুন্দৰ হৈ থাকিব ।

প্ৰতিকাৰৰ উপায়-

১) বৃক্ষ ৰোপন আৰু সেই বৃক্ষ সংৰক্ষণত গুৰুত্ব প্ৰদান কৰিব লাগে।

২) ঘৰৰ ওচৰৰ পাজৰৰ নলা -নৰ্দমা আদি চাফ-চিকুনাই ৰাখিব লাগে।

৩) ৰাজহুৱা ঠাই আদিত যতে ততে থু -খেকাৰ পেলাব নালাগে। চাফ চিকুনাই ৰখা আমাৰে দায়িত্ব।

৪) ডাছবিন ব্যৱহাৰ কৰিব লাগে ।

৫) ঘৰৰ ওচৰে পাজৰে পানী জমা হৈ হ'ব থাকিব দিব নালাগে। মহে কণী পাৰি বংশ বৃদ্ধি কৰে।

৬) ব্লেচিং/ডি ডি টি আদি প্ৰয়োগ কৰি পৰিস্কাৰ পৰিচ্ছন্ন কৰি ৰাখিব লাগে।

৭) বৰষুণৰ পানী এশ শতাংশই বিশুদ্ধ, ইয়াৰ ভালদৰে সংৰক্ষণ কৰিব পাৰিলে, জীৱ কুলৰ উপকাৰ হ'ব।

সেই কাৰণে বিশ্ব স্বাস্থ্য সংস্থাই ১৯৭৩চনত ৫জুনৰ পৰা বিশ্ব পৰিবেশ দিবস পালন কৰাৰ সিদ্ধান্ত লৈছিল। বৰ্তমান গোটেই বিশ্বই পালন কৰে।

কথাগল্প

# পোচাক

**ৰাজশ্ৰী শৰ্মা, গোলাঘাট, বনগাঁও**



ঃ এই বাই, বাই শুনচোন, আজি আমাৰ ঘৰৰ বাইজনী কাম কৰিবলৈ নাহিল। ব'লচোন তোক যি লাগে দিম আজিৰ কামখিনি মোক কৰি দে।

ঃ মই কাম কৰা বাই নহয় অ, মই বেলেগ কাম এটাত হে ওলাই আহিছোঁ।

ঃ মই তহঁতক ভালদৰে চিনি পাওঁ বুজিছ তহঁতৰ দাম বঢ়াবলৈ এইবোৰ কৰি আছ।

ঃ মই কৈ আছোঁ নহয় মই কাম কৰা বাই নহয় । আপুনি বেলেগ মানুহ বিচাৰক ।

ঃ উস্ তই মোৰ মুৰটো নাখাবি বুজিছ ব'ল এতিয়াই। মোৰ অফিচলৈ যাবলৈ দেৰি হৈছে। ৰাতিপুৱাই কাৰ পাল্লাত যে পৰিলোঁ। তোক যিমান লাগে দিম বুলি কৈছোঁ শুনা নাই নেকি? ব'ল নাটক কৰি নাথাকিবি। বহুত কাম আছে কৰিবলৈ।

ঃ মই আপোনাক একেটা কথাকে বাৰে বাৰে কৈ আছোঁ আপুনি বুজি নাপায় কিয় ? মই কাম কৰা বাই নহয়।

ঃ কথা নৰঢ়াবি ব'ল বুলি কৈছোঁ নহয়। ইমান সময় মোৰ লগত কাজিয়া কৰি থকাৰ পৰিবৰ্তে যদি আপোনাৰ কামখিনি নিজেই কৰিবলৈ চেষ্টা কৰিলে হেঁতেন এতিয়ালৈ কাম শেষ হৈ গ'ল হেঁতেন । যাওঁক নিজৰ কাম নিজেই কৰিবলৈ শিকক।

ঃ কি? মোক জ্ঞান দিবলৈ আহিছ । চিনি পোৱা নাই মই কোন। ইমান দেৰি ভালদৰে কথা পাতি থকাযেন দেখিছ। এতিয়াই তোক নি লকআপত ভৰাই থম গম পোৱা নাই।

ঃ মোক কি দোষত লকআপত ভৰাব।

ঃ মই পুলিচ অফিচাৰৰ পত্নী মোৰ কথা নুশুনাৰ দোষত। মোৰ লগত মুখ চলোৱাৰ দোষত।

ঃ আপোনাৰ স্বামীৰ নাম বদনাম কৰিবলৈ আহিছে। নিজৰ কাম নিজেই কৰিব নোৱাৰে লকআপৰ ভয় দেখুৱাই।

ঃ তোৰ দেখোন মুখখন বৰকৈ চলিছে। একে পাত চৰত তোৰ মুখ বন্ধ হৈ যাব চিনি পোৱা নাই ।

ঃ এতিয়া তোক মই লকআপত ভৰাম তোক বাৰে বাৰে বুজাবলৈ চেষ্টা কৰি আছোঁ মই কাম কৰা বাই নহয় বুজি নাপাৱ। এইখন চা মোৰ I-card ।

ঃ মেম আপুনি ? এইটো ড্ৰেচত । ইমান বেয়া কাপোৰ পিন্ধি। আৰু খোজ কাঢ়ি?

ঃ অ, তহঁতৰ নিচিনা অভদ্ৰ বোৰ চিনাকি হ'বলৈ এনেদৰে ওলালো।

ঃ মোক ক্ষমা কৰি দিব মেম । মই নাজানি বহুত বেয়া ব্যৱহাৰ কৰিলোঁ।

ঃ তোৰ স্বামী এজন বিশ্বাসী পুলিচ অফিচাৰ বাবে তোক মাফ কৰি দিলোঁ । নিজৰ কাম নিজেই কৰিবলৈ শিক। আৰু কাপোৰ চাই মানুহক চিনাক্ত নকৰিবি বুজিলি।

# বিশ্ব পৰিবেশৰ দিৱসৰ লগত....



**বিশ্বজিৎ বৈশ্য,বংশৰ, শুৱালকুছি**

প্ৰতি বছৰে ৫ জুনৰ দিনা বিশ্বব্যাপী এই দিৱস পালন কৰা হয়। সেয়ে বিশ্ব পৰিৱেশ দিৱস আমাৰ। আমাৰে দায়িত্ব পৰিৱেশক সেউজীয়া কৰি ৰখাটো। প্ৰকৃতিত বিলীন হোৱা মানুহ, জীৱ-জন্তু সকলোৱে যেন নিজৰ নিজৰ ব্যস্ততাৰে পৰিৱেশ জীপাল কৰি আহিছে। আমি গছপুলি ৰোপন কৰাই নহয় তাৰ লগে লগে প্ৰতিপালনৰ দায়িত্ব গ্ৰহণ কৰি বৰ্তমান সময়ত তাক প্ৰকৃতিৰ মহত্তম উপাহাৰ বুলি জীয়াই ৰখাটো আমাৰ দায়িত্ব। শস্য-শ্যামলা, ধুনীয়া ধৰণীখন বসবাসৰ যোগ্য হৈ থাকিব যেতিয়া আমি সেই সেউজীয়াক ভাল পাম। সেউজীয়া ৰহণে আমাৰ মনলৈ বোৱাই আনে শান্তিৰ নিজৰা। আৰু এই সেউজীয়াক জীয়াই ৰাখিবলৈ আমি তাৰ যত্ন লৰ লাগিব। বিনন্দীয়া পৃথিৱীৰ অপৰূপ সৌন্দৰ্য্যই যেন চৌপাশৰ পৰিৱেশৰ ম্লান কৰা দেখা যায়। তাৰ লগে লগে আমাৰ আটাইতকৈ প্ৰয়োজনীয় অ'জিন গেছো যোগান ধৰে। ঠিক তেনেকৈ গছ থাকিলেহে মানুহ থাকিব আৰু মানুহ থাকিলেহে গছৰ যত্ন লব। এনেকৈ চলি আছে প্ৰকৃতিৰ নিয়ম।

# ক্ৰমবৰ্ধমান উৎসৱ প্ৰবনতাৰ

তেনেই সাধাৰন কথা হৈ পৰিছে। ফলস্বৰূপে আমি অসমীয়াই আজি নিজৰ ঠাইতে নিজেই পৰিচয় হেৰুৱাৰ উপক্ৰম হৈছো। সমাজত এটা সময় আছিল যি সময়ত পৰিয়ালত নিজ কন্যা সন্তানক শৈশৱৰে পৰা ঘৰুৱা কামকাজৰ সমান্তৰালকৈ বোৱাকটা সকলো কামতে পাৰ্গত কৰিবলৈ চেষ্টা কৰা হৈছিল। কিন্তু বৰ্তমান সেইবোৰ কথালৈ গুৰুত্ব নিদি কেৱল বাহ্যিকতাকহে প্ৰাধান্য দিয়াৰ ফলস্বৰূপে সমাজত কিছুমান নিত্য নতুন ঘটনা ঘটিবলৈ লৈছে। বিবাহ বিচ্ছেদৰ ঘটনাও ক্ৰমান্বয়ে সমাজত বৃদ্ধি পাবলৈ লৈছে। গতিকে ভৱিষ্যৎ প্ৰজন্মলৈ এখন সুন্দৰ, সুস্থ সমাজ এৰি যাবলৈ হ'লে আমি অভিভাৱক সকল সজাগ হোৱাৰ সময় সমাগত। পৰিকল্পিত বাজেট প্ৰস্তুত কৰি অৰ্থাৎ নিজৰ সামৰ্থ অনুসৰি সন্তানক লালন পালন কৰাত গুৰুত্ব দিব লাগিব। সৰুৰে পৰা সঞ্চয়ৰ প্ৰবনতা বৃদ্ধি তথা স্বাৱলম্বিতাৰ শিক্ষা প্ৰদান কৰিব লাগিব। অযথা বাহ্যিকতা পৰিহাৰ কৰি বিয়াসবাহ বা অন্য উৎসৱাদি অনুষ্টুপীয়াকৈ অনুষ্ঠিত কৰিও আমি আমাৰ পৰম্পৰা সমূহ ৰক্ষা কৰিব পাৰো। অভিভাবক সকলৰ লক্ষ্য হোৱা উচিত নিজ সন্তানক প্ৰকৃত মানব সম্পদ হিচাপে গঢ়ি তুলি সমাজ বা দেশলৈ উপহাৰ হিচাপে দিয়া। কিয়নো পৰিয়াল, সমাজ অৰ্থনৈতিকভাৱে টনকিয়াল হ'লেহে আমাৰ দেশখন টনকিয়াল হব ।




অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# চেন্নাইত স্বাস্থ্য পৰীক্ষা কৰি ৰামেশ্বৰম, জগন্নাথ ধাম ভ্ৰমণযাত্ৰা

**শৈলেন কুমাৰ, মিৰ্জা**

জীৱনৰ সংজ্ঞা অনুপম আৰু মনোমোহা যেতিয়া আপোনাৰ শৰীৰৰ সুস্থ আৰু নিৰোগী হৈ থাকে। ভালেসংখ্যক মানুহৰ পৰা জানিব পাৰিছোঁ, চেন্নাইৰ এপ'লো' হস্পিতালৰ চিকিৎসা তথা চিকিৎসাগত পদ্ধতি বহু উন্নত মানদণ্ডৰ। বহুদিনৰ পৰা মাঁয়ে মোক কৈ থাকে "মোৰ মূৰটো কিবা ঘূৰাই থাকে অ, তই ডক্টৰক কৈ কিবা দৰৰ লৈ আহি বিচোন" বহু ডক্টৰৰ পৰামৰ্শমতে দৰৰ খুৱালোঁ, তেজ পৰীক্ষা কৰালোঁ কিন্তু ক'ত সুফল নাপালোঁ।




অৱশেষত পৰিয়ালবৰ্গৰ সিদ্ধান্ত অনুসৰি মাঁক চেন্নাইৰ এপ'লো' হস্পিতালত দেখুওৱাৰ বাবে থিৰাং কৰিলোঁ। কথামতেই কাম বেছি অপেক্ষা নকৰি চলিত ২০২৫ বৰ্ষৰ মে মাহৰ ২৭ তাৰিখ মংগলবাৰে চেন্নাইলৈ যোৱাৰ দিন। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান-বন্দৰৰ পৰা চেন্নাই আন্তৰাষ্ট্ৰীয় বিমান-বন্দৰলৈ বহু ভয়-শংকা, চিন্তা বুকুত বান্ধি উৰাজাহাজেৰে উৰা মাৰিলো। ৰাতিপুৱা ৮-৩০ বজাত আৰম্ভ হোৱা বিমানযাত্ৰা প্ৰায় ২ আঢ়ৈ ঘণ্টা পাছত শেষ হৈ চেন্নাইত উপস্থিত হওঁ। বিমান-বন্দৰৰ পৰা এপ'লো' হস্পিতালৰ দূৰত্ব বেছি নহয়, মই অনলাইন উবেৰ এখন ভাড়া কৰি গন্তব্যস্থানলৈ গতি কৰিবলৈ আৰম্ভ কৰিলোঁ। এটা কথা ক'বলৈ লাগিব, যিহেতুকে চেন্নাইলৈ মই আগেপিছে গৈ পোৱা নাই আৰু বাহিৰত চিকিৎসা সন্দৰ্ভত মোৰ বিশেষ অভিজ্ঞতাও নাই গতিকে এই ক্ষেত্ৰত মোৰ এই যাত্ৰাকালত বহু বন্ধুবৰ্গ তথা সহ পাঠীয়ে যথেষ্টভাৱে সহায়সহযোগিতা কৰিছে। পৰিকল্পনা মতে আমি ক'ত থাকিম? কেনেদৰে ক'ত চিকিৎসা কৰিম সকলো নিৰ্ধাৰিত কৰি ৰখা হৈছিল। এপ'ল' হস্পিতালৰ ওচৰত বেংগলী মাৰ্কেটত নামেৰে এখন বজাৰ আছে য'ত আমাৰ অসমীয়া মানুহৰ বাবে থকাখোৱাৰ সম্পূৰ্ণ সুবিধা আছে। তাত কোঠালী সমূহৰ মূল্য কম আপুনি ইচ্ছা কৰিলে নিজে খোৱা-খাদ্য সমূহ প্ৰস্তুত কৰি খাবলৈ পাৰে। অসমৰ তুলনাত চেন্নাইত বস্তুবোৰৰ মূল্য অধিক, আমি কোঠালী এটা তিনিদিনৰ বাবে বুকিং কৰি ৰুমতে নিজে খোৱা-খাদ্য ৰান্ধিবাঢ়ি খোৱাৰ বাবে সিদ্ধান্ত কৰিলোঁ। প্ৰথমদিনা আবেলি ভাগত আমি হস্পিতালত উপস্থিত হৈ মাঁৰ চিকিৎসাৰ বাবে ফাইল বনালোঁ। দ্বিতীয়দিনা ৰাতিপুৱা ৬.৩০ বজাত হস্পিতালত উপস্থিত হৈ নিৰ্ধাৰিত স্বাস্থ্য পৰীক্ষা সমূহ কৰালোঁ। স্বাস্থ্য পৰীক্ষাৰ অন্তত তৃতীয়দিনা ডক্টৰে ৰিপৰ্ট চালে ৰিপৰ্টত হাইপ্ৰেচাৰ থকা বুলি ধৰা পৰিল সেই অনুযায়ী ডক্টৰে ৬ মাহৰ দৰৰ খাবলৈ লিখি দিয়ে। সুযোগসুবিধা বুজি ময়ো স্বাস্থ্য পৰীক্ষা কৰাৰ বাবে থিৰাং কৰিলোঁ। তেনেকৈ চেন্নাইত চিকিৎসা কৰি ৫ দিন উকলি গ'ল। দেওবাৰে হস্পিতাল জৰুৰী সেৱাৰ বাহিৰে বাকী সমূহ বিভাগ বন্ধ থাকে, সময়-সুবিধা বুজি আমি ৩১ মে শনিবাৰে তামিলনাডুস্থিত হিন্দুধৰ্মৰ ৪ খন ধামৰ অন্যতম ধাম ৰামেশ্বৰম যোৱাৰ সিদ্ধান্ত লওঁ। **আগলৈ...**

# আমাৰ শত্ৰুপক্ষক আমি সদায় নিজ কৰ্মৰ জৰিয়তে প্ৰত্যুত্যৰ দিয়া উচিত

**চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি**

মানুহ মানুহৰ প্ৰধান শত্ৰু। কাৰণ একমাত্ৰ মানুহৰ বাহিৰে মানুহৰ অহিত বা অমংগল চিন্তা ভাৱনা কৰি থকিবলৈ আন কোনো জীৱ-জন্তুৰ লগতে সম্পূৰ্ণৰূপত বিকশিত হোৱা এক বিবেক নাথাকে। সেয়েহে আমাৰ মানৰ দেহৰ সৰ্বোচ্চবা শক্তিশালী অংশটোক আমি বিবেক ৰূপত চিহ্নিত কৰিব পাৰোঁ। অৰ্থাৎ ধৰাতলত প্ৰাণী জগতৰ মাজত যদি মানুহৰে বিবেকবোৰ সম্পূৰ্ণৰূপে বিকশিত হৈ আছে তেন্তে অন্যান্য জীৱ জন্তুৰ তুলনাত মানুহে যে মানুহৰ শত্ৰু ৰূপত থিয় দি থাকে তাৰ প্ৰকৃত তাৎপৰ্যবোৰ মোৰ এতিয়ালৈকে চিন্তা শক্তিৰ বাহিৰতে আছে।

মানুহ ৰূপত জন্ম লোৱাৰ আগমূহূৰ্তৰ পৰাই মানুহৰ জীৱনত শত্ৰুৰ আবিৰ্ভাৱ হবলৈ ধৰে আৰু যেনেকৈ লাহে লাহে দিনবোৰ বগৰী যাব ধৰে ঠিক সেইদৰে মানুহৰ সফলতা আৰু বিফলতাৰ ওপৰত লক্ষ্য কৰি মানুহৰ শত্ৰু পক্ষতো বৃদ্ধি হোৱা পৰিলক্ষিত হয়। আপোনাৰ জীৱনৰ বিফলতাবোৰ শত্ৰুৰ মনত আত্মসন্তুষ্টি জন্ম দিয়ে। লগতে আপোনাৰ জীৱনলৈ অহা সফলতাবোৰৰ জৰিয়তে স্বয়ংক্ৰিয় ৰূপত শত্ৰু পক্ষৰ সংখ্যা দিনক দিনে বৃদ্ধি হবলৈ ধৰে। এতিয়া কথা হল, জীৱনত শত্ৰু পক্ষই আপোনাক পৰাপক্ষত একেবাৰে প্ৰত্যক্ষ ৰূপত একোৰেই অনিষ্ট সাধন কৰিব নোৱাৰে। গতিকে শত্ৰুবোৰে পৰোক্ষভাৱে এক নিৰ্দিষ্ট সীমালৈকে আপোনাৰ জীৱনলৈ অনিষ্ট সাধনাৰ চেষ্টা অব্যাহত ৰাখে। গতিকে আপুনি যদি দৃঢ়তাৰ সৈতে সৎ মাৰ্গত আগুৱাই যোৱাৰ প্ৰতিজ্ঞাবদ্ধ হয় তেন্তে আপোনাৰ পিছত লক্ষ্য লক্ষ্য ৰূপত শত্ৰুৱে আগুৱি ধৰিলেও আপোনাৰ জীৱনত




একোকে ক্ষতিগ্ৰস্ত কৰিব নোৱাৰে।

আচলতে বহু ক্ষেত্ৰতে আমি আমাৰ প্ৰত্যক্ষ বা পৰোক্ষ ৰূপত আমাৰ জীৱনলৈ আহি পৰা শত্ৰুবোৰক সঠিক অৰ্থত চিনাক্ত কৰিবলৈ সক্ষম হৈ পৰোঁ। কাৰণ আমাৰ জীৱনৰ শত্ৰুবোৰ সদায় আমাৰ অতিকৈ আপোন বুলি ধৰা মানুহৰ মাজতে লোকাই থাকে। কাৰণ আমাৰ অচিনাকি মানুহে আমাৰ কামৰ লগত কামকে প্ৰাধান্য বেচিকৈ প্ৰদান কৰে। গতিকে এতিয়া কথা হল আমাৰ একেবাৰে চিনাকি মুখৰ আমাৰ শত্ৰুবোৰক আমি কেনেকৈ প্ৰত্যুত্যৰ দিব লাগে বা গোটেই জীৱৰজোৱা প্ৰত্যুত্যৰ প্ৰদানৰ পৰা আতৰি থাকিব লাগে ? আমি এই পৃথিৱীত জন্ম গ্ৰহণ কৰি নিজ নিজ জীৱনৰ উন্নতি সাধন কৰি আগুৱাই যোৱাৰ এক মানৱীয় মৌলিক অধিকাৰ। সেয়েহে আমাৰ জীৱনত উন্নীত সাধনৰ বাবে বাধা উৎপন্ন কৰা আমাৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে দেখা দিয়া শত্ৰু সমূহক আমি সদায় নিজ কৰি কৰ্মৰ জৰিয়তে প্ৰত্যুত্যৰ দি নিজৰ মাৰ্গ সুনিশ্চিত কৰা উচিত। কাৰণ আপোনাৰ শত্ৰুপক্ষয়ে সদায় এইটোৱেই বিচাৰি থাকে যে সিহতৰ লগত আপুনি গৈ বাক যুদ্ধ বা শাৰীৰিক যুদ্ধত লিপ্ত হৈ পৰক। ইয়াৰ ফলত আপুনি নিজ জীৱনৰ লক্ষ্য উদ্দেশ্য পৰা সদায় বিচলিত হৈ পৰিব। শত্ৰুবোৰে যেতিয়া আপোনাৰ সমকক্ষত থিয় দি আগুৱাই যাবলৈ অসমৰ্থ হৈ পৰে ঠিক তেতিয়া নানান ধৰনৰ কলা কৌশল অৱলম্বন কৰি আপোনাৰ জীৱনলৈ বাধা উৎপন্ন কৰাৰ প্ৰতি অগ্ৰসৰ হোৱা দেখা যায়। গতিকে আপুনি যদি প্ৰকৃত এজন বুদ্ধিজীৱী মানুহ হয় তেন্তে শত্ৰুবোৰৰ লগত যুদ্ধ কৰি সময় ব্যতিত কৰাতকৈ শত্ৰুপক্ষক আমি সদায় নিজ কৰ্মৰ জৰিয়তে প্ৰত্যুত্যৰ দিয়া উচিত।

# ভাল লগা আৰু ভালপোৱা

**অৰ্ণৱ কটকী, জাঁজী, যোৰহাট**




এই ধৰক আপোনাৰ ভাল লাগিছে কোনো ব্যক্তি বা বস্তু। অকণমান সময় হলেও মনটো প্ৰশান্তিৰে উঠলি উঠিছে সেইয়াই ভাল লগা। ভাল লগা বিলাক ক্ষন্তেকিয়া, কিছু কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। আপোনাৰ ভাল লগাটো অভ্যাস হৈ পৰিলে ভাল পোৱা হব পাৰে তাত কোনো সন্দেহ নাই। কিন্তু ভাল লগা (যিকোনো বস্তু বা ব্যক্তি)আঁতৰত থাকিলে হে চাই ভাল লাগে যদি তাক নিজৰ কৰি অনা হয় তেনে সেই গুৰুত্ব আৰু ভাল লগা নোহোৱা হৈ পৰে।

আনহাতে ভালপোৱা সদায় পৃথক, একক, অনন্য। ভালপোৱাই অলপ মৰম, বিশ্বাস, শ্ৰদ্ধা আৰু সহযোগ বিচাৰে। নিজৰ সকলো উজাৰি ভালপোৱা জীয়াই ৰখাৰ চেষ্টা কৰে। ভালপোৱা পূৰণি নহয় সদায় ই চিৰনতুন হৈ থাকে। আমনি কাৰণ কেতিয়াও ভালপোৱা নহয়, কিন্তু ভাল লগা বিলাক কেতিয়াবা আমনি দায়ক হৈ পৰে। আপোনাৰো আছে নেকি এনে ভাল লগা বা ভালপোৱা? আমি প্ৰায়েই ভুল কৰোঁ ভাল লগা আৰু ভালপোৱা নিচিনি। সময় থাকোঁতেই ইয়াৰ প্ৰকৃত সত্য চাই লোৱা আজি সময়ত অতিকে প্ৰয়োজন। ভালে থাকক সকলো।

# এআইৰ জৰিয়তে বন

মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ জৰিয়তে প্ৰথম পৰ্যায়তে ব্যৱস্থা লোৱাটো সম্ভৱ হৈ উঠিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে সাধাৰণতে বনভূমি ধ্বংস হোৱাৰ পিছতে খবৰ লাভ কৰা যায়। এই নতুন প'ৰ্টেলৰ জৰিয়তে সঠিক সময়ত তথ্য লাভকৰিব পৰা যাব। তেওঁ লগতে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰ শাসন ক্ষমতালৈ অহাৰ পিছত তৃতীয় বন সুৰক্ষা বাহিনী গঠন কৰা হৈছিল। আজি এই সুৰক্ষা বাহিনীক অস্ত্ৰ-শস্ত্ৰ প্ৰদান কৰা হৈছে যাতে বন সুৰক্ষা বাহিনীয়ে স্বতন্ত্ৰ আৰু শক্তিশালীভাৱে কাম কৰিব পাৰে। আনহাতে বন বিভাগৰ ৰেঞ্জ , ডিভিজনবোৰত গাড়ী নথকাৰ বিষয়টো উল্লেখ কৰি তেওঁ কয় যে এই অভাৱ পূৰণ কৰাৰ বাবে আজি ১২৯খন গাড়ীৰ ফ্লেগ অফ কৰা হৈছে। টেৰিটৰিয়েল ৰেঞ্জ বোৰত বাহন দিব পৰাকৈ ৰাজ্য চৰকাৰে আৰু গাড়ী ক্ৰয় কৰিব। বনভূমিক সুৰক্ষিত কৰাৰ দিশত ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাক আজিৰ এই পদক্ষেপে আৰু অধিক আগুৱাই লৈ যাব। ভাৰত চৰকাৰে ছিংগল প্লাষ্টিক নিষিদ্ধ কৰাৰ দিশত কাম কৰি আহিছে আৰু ৰাজ্য চৰকাৰে তাক আগুৱাই লৈ যাব। অসম চৰকাৰ আৰু অইল ইণ্ডিয়াই যৌথভাবে ডিব্ৰুগড়, তিনিচুকীয়া, শিলচৰ, তেজপুৰ আৰু গুৱাহাটীত বায়' ফুৱেল প্ৰস্তুত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে প্লাষ্টিকসমূহ সংগ্ৰহ কৰি এই প্ৰকল্পবোৰত দিব পৰা যাব। ইয়াৰ ফলত সমস্যাটো বহু পৰিমাণে লাঘৱ হ'ব। এই অনুষ্ঠানত বন আৰু পৰিৱেশ আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিধায়ক দিগন্ত কলিতাৰ উপৰি বিশেষ মুখ্য সচিব (বন) এম কে যাদৱ, প্ৰধান মুখ্য বন সংৰক্ষক আৰু বন সুৰক্ষা বাহিনীৰ প্ৰধান সন্দীপ কুমাৰ, প্ৰধান মুখ্য বন সংৰক্ষক (বন্যপ্ৰাণী) ড° বিনয় গুপ্তা প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# ৰাজ্যসভাৰ প্ৰাৰ্থী বাছনি

চৌধুৰীয়ে প্ৰাৰ্থিত্বৰ বাবে আবেদন কৰাসকলৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ উপৰি তেওঁলোকে দলৰ জ্যেষ্ঠ নেতৃবৃন্দৰ সৈতেও মত বিনিময় কৰিব আৰু তাৰ পাছত সিদ্ধান্ত লোৱা হ'ব। তেওঁ চ্ছজন কৰ্মকৰ্তাই প্ৰাৰ্থিত্বৰ বাবে আবেদন কৰা বুলি উল্লেখ কৰি কয় যে সমিলমিলেৰে, বুজাবুজিৰ মাজেৰে এইক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। যিহেতু ৯ জুন মনোনয়ন দাখিলৰ দিন সেয়েহে দুই-এদিনতে প্ৰাৰ্থী ঘোষণা কৰা হ'ব। তদুপৰি এই সভাখনত আগন্তুক স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰস্তুতি তথা হৈ যোৱা পঞ্চায়ত নিৰ্বাচন সম্পৰ্কত আলোচনা কৰা হৈছে বুলিও সভাপতি বৰাই সদৰী কৰে। আনহাতে বানত ক্ষতিগ্ৰস্ত ৰাইজৰ কাষত কিদৰে থিয় হ'ব পৰা যায় সেই সন্দৰ্ভতো আজিৰ সভাত আলোচনা কৰা হৈছে বুলি বৰাই মন্তব্য কৰে। সভাখনত দলৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি, সাধাৰণ সম্পাদক, সম্পাদক, ভাতৃ-ভগ্নী সংগঠনসমূহৰ কেন্দ্ৰীয় সভাপতি আৰু কাৰ্যকৰী সভাপতি, অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

# মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত ড° ভূপেন

অনুষ্ঠান আছে। এই গ্ৰন্থখন সমগ্ৰ ভাৰতবৰ্ষৰ বিদ্যায়তনিক অনুষ্ঠানৰ লগতে অসমত নৱপ্ৰজন্মৰ হাতত তুলি দিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে। এইগৰাকী শিল্পীৰ বিষয়ে নৱপ্ৰজন্মই জনাৰ প্ৰয়োজনীয়তা আছে। ড° ভূপেন হাজৰিকাৰ কৰ্মভূমি অসম, অৰুণাচল প্ৰদেশ, পশ্চিমবংগ আৰু মহাৰাষ্ট্ৰত এই শতবাৰ্ষিকীৰ অনুষ্ঠান পালন কৰাৰ কথা সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০২৬ চনত নতুন দিল্লীৰ ভাৰত মণ্ডপমত সামৰণী অনুষ্ঠান আয়োজন কৰা হ'ব। এই জন্ম শতবাৰ্ষিকী গুৱাহাটীত আৰম্ভ হ'ব আৰু নতুন দিল্লীত সামৰণি পৰিব। শতবাৰ্ষিকী অনুষ্ঠান আয়োজনৰ বাবে অৰুণাচল প্ৰদেশ চৰকাৰ আৰু পশ্চিমবংগ চৰকাৰৰ লগত আলোচনা কৰা হৈছে। সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী তথা জনসাধাৰণৰ মাজত ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব। লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উদযাপনৰ দৰে এই অনুষ্ঠান আয়োজন কৰা হ'ব। দেশৰ বিভিন্ন ভাষা-ভাষীৰ লোকে এই ৰচনা লিখিব পাৰিব আৰু ইয়াৰ বাবে এটা প'ৰ্টেল মুকলি কৰা হ'ব। আনহাতে জিলা পৰ্যায়তো এখন সমিতি গঠন কৰা হ'ব। ইয়াৰ জৰিয়তে জিলা পৰ্যায়ত ড° ভূপেন হাজৰিকাৰ স্মৰণ অনুষ্ঠান আয়োজন কৰা হ'ব। ৰাজ্য চৰকাৰে বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি বিভিন্ন শিক্ষানুষ্ঠানত এনে অনুষ্ঠান আয়োজন কৰাৰ বাবে অনুৰোধ জনাব। এই কামবোৰৰ জৰিয়তে প্ৰতিটো অনুষ্ঠান, প্ৰতিগৰাকী ব্যক্তিয়ে শিল্পীগৰাকীক স্মৰণ কৰাৰ সুযোগ লাভ কৰিব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। অহা বছৰত অনুষ্ঠিত হ'বলগীয়া বিধানসভাৰ নিৰ্বাচনৰ সময়খিনি বাদ দি এই কাৰ্যসূচী নিয়াৰিকৈ অনুষ্ঠিত কৰা হ'ব। এই অনুষ্ঠান সফলভাৱে ৰূপায়ণৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই পৰামৰ্শ আগবঢ়াবলৈ জনসাধাৰণক আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে ইতিমধ্যে কেইবাটাও গ্ৰহণযোগ্য লিখিত পৰামৰ্শ আহিছে। এইক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা সাংস্কৃতিক বিভাগে গ্ৰহণ কৰিব। অহা ৮ ছেপ্টেম্বৰত গুৱাহাটীৰ খানাপাৰাত এই জন্ম শতবাৰ্ষিকী উদযাপনৰ শুভাৰম্ভণী অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই বৈঠকত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বৰেণ্য ব্যক্তিসকলে শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকী সফল উদযাপনৰ বাবে পৰামৰ্শ আগবঢ়ায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে শুভাৰম্ভণী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব। এই অনুষ্ঠানত উপস্থিত থকাৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলকো আমন্ত্ৰণ জনোৱা হ'ব। এই অনুষ্ঠান কেৱল অসমতে আবদ্ধ নাৰাখি নতুন এটা দিশ আৰম্ভ কৰিব পৰা যাব বুলিও তেওঁ আশা প্ৰকাশ কৰে। বিভিন্ন সাহিত্য সভাক লৈ সমিতিখন সম্প্ৰসাৰণৰ বাবে অহা পৰামৰ্শ ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ড° ভূপেন হাজৰিকাৰ স্মৃতি যুগমীয়া কৰাৰ বাবে যিবোৰ পৰামৰ্শ আহিছে তাক ৰাজ্য চৰকাৰে তন্নতন্নকৈ পৰীক্ষা কৰিব। পৰৱৰ্তী বৈঠকত কোনোৱা আহিব নোৱাৰিলেও ভিডিঅ' কনফাৰেঞ্চযোগে সংলগ্ন হোৱাৰ বাবে ব্যৱস্থা কৰা হ'ব। এই অনুষ্ঠান গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত কৰা হ'ব, যাতে এশ বছৰলৈ নৱপ্ৰজন্মৰ মাজত গণশিল্পীগৰাকীক জীয়াই ৰাখিব পৰা যায়। ইতিমধ্যে বিশ্ববিদ্যালয়সমূহে শতবাৰ্ষিকী উদযাপন অনুষ্ঠান পালন কৰাৰ বাবে ইচ্ছা প্ৰকাশ কৰি ৰাজ্য চৰকাৰক অৱগত কৰিছে। উক্ত এই বৈঠকত মন্ত্ৰী বিমল বড়া, অতুল বৰা, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, প্ৰশান্ত ফুকন, কেশৱ মহন্ত, জয়ন্ত মল্ল বৰুৱা, ইউ জি ব্ৰহ্ম, পীযূষ হাজৰিকা, যোগেন মহন, নন্দিতা গাৰ্লোছা, কৌশিক ৰয়, ৰূপেশ গোৱালা, বিধায়ক ক্ৰমে পৃথিৰাজ ৰাভা, দুৰ্গাদাস বড়ো, মুখ্য সচিব ড° ৰবি কোটা, অতিৰিক্ত মুখ্য সচিব এ কে তিৱাৰী, অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তী, অতিৰিক্ত মুখ্য সচিব ড° জে বি এক্কাকে ধৰি কেইবাখনো বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, ড° ভূপেন হাজৰিকাৰ পৰিয়ালবৰ্গৰ হৈ নিউয়ৰ্কৰ পৰা পুত্ৰ তেজ হাজৰিকা, ভাতৃ সমৰ হাজৰিকা, মনীষা হাজৰিকা প্ৰমুখ্যে বিশিষ্ট শিল্পী, বিভিন্ন সামাজিক অনুষ্ঠানৰ প্ৰতিনিধি আৰু বৰেণ্য ব্যক্তিসকল উপস্থিত থাকে।

# শ্বহীদ কনকলতা ৰাজ্যিক

দিব্যাংগ গৱেষকসকলৰ বাবে ৪০ হাজাৰ টকাকৈ আৰু কেন্দ্ৰীয় ৰাজ্যিক বিশ্ববিদ্যালয়ৰ গৱেষকসকলৰ বাবে ২৫ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হ'ব। কেবিনেটে মুখ্যমন্ত্ৰীৰ উৎকৰ্ষ যোজনাৰ ৰূপায়ণেৰে কৃষক উৎপাদক সন্থাৰ সবলীকৰণত অনুমোদন দিয়ে। ইয়াৰ জৰিয়তে ৫০০ এফপিঅ' আৰু এফপিচিক দুটা পৰ্যায়ত আৰু দুটা কিস্তিত কাম সম্পাদনৰ বাবে মুঠ ১৫ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব। কেবিনেটে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰশীল অসম অভিযান, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, ধান ক্ৰয়, অমৃত সৰোবৰ, দুগ্ধ সংসাধন প্ৰকল্প আদি আঁচনিৰ উন্নত ৰূপায়ণৰ বাবে ১, ৪৫০ কোটি টকাৰ মেগা মিছন ছ'চাইটী-মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ বিত্তীয় অনুমোদনত সন্মতি দিয়ে। ডিমা হাছাওৰ সংযোগ ব্যৱস্থা উন্নয়নৰ হেতু অসম দুৰ্যোগ স্থিতিস্থাপক পাৰ্বত্য এলেকা পথ উন্নয়ন প্ৰকল্পতও কেবিনেটে অনুমোদন দিয়ে। ইয়াৰ জৰিয়তে পাহাৰীয়া জিলাখনৰ ৩৮৪ কিলোমিটাৰ পথ নিৰ্মাণৰ বাবে মুঠ ৩, ৮৭৫ কোটি টকা ব্যয় কৰা হ'ব। কেবিনেটে আজি বিটিচিক ২০২৫-২৬ বৰ্ষৰ বাবে ৮৪ কোটি টকাৰ বিত্তীয় আবণ্টনত অনুমোদন জনায়। ৰাজ্যিক কেবিনেটে জিলাসমূহৰ আৰক্ষী অধীক্ষকৰ ৩৫টা পদ পুনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে পদবীকৰণত অনুমোদন জনায়। উল্লেখ্য যে এতিয়াৰে পৰা আৰক্ষী অধীক্ষকসকলক জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰূপে জনা যাব।

# গুৱাহাটী চিকিৎসা

চন্দ্ৰ বৈশ্যই। অনুষ্ঠানত উপস্থিত থাকে চিকিৎসা মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ কেইবাগৰাকীও জেষ্ঠ্য চিকিৎসক তথা শিক্ষক - শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু জিএমচিএইচৰ কৰ্মচাৰীসকল। চিকিৎসা মহাবিদ্যালয়ৰ, হৃদয়-বক্ষ আৰু স্নায়ু বিজ্ঞান কেন্দ্ৰত পুৱাৰে পৰা আৰম্ভ হোৱা অনুষ্ঠানত কমিউনিটি মেডিচিন বিভাগৰ সন্মানীয় অধ্যাপিকা তথা মুৰব্বী অধ্যাপিকা (ডাঃ) যুতিকা ওজাৰ নেতৃত্বত বিশ্ব পৰিবেশ দিৱস পালন কৰা হয়। চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ অচ্যুত চন্দ্ৰ বৈশ্যই বৃক্ষৰোপণ কাৰ্যৰ প্ৰতি সকলোৱে জনোৱা সহযোগিতা আৰু সঁহাৰিৰ বাবে সকলোৱে শলাগ লয়। এই বছৰৰ বিশ্ব পৰিবেশ দিৱসৰ বিষয় বস্তু আছিল - "প্লাষ্টিক সামগ্ৰীৰে সৃষ্টি হোৱা প্ৰদূষণৰ বিনাশ ঘটোৱা"।

# দেশজুৰি দুটা পৰ্যায়ত

ধাৰণা কৰা হৈছে। বৰ্তমান দেশত লোকপিয়ল আয়ুক্তৰ পদত আছে মৃত্যুঞ্জয় কুমাৰ নাৰায়ণ। যোৱা বছৰ তেওঁৰ কাৰ্যকালৰ ম্যাদ বৃদ্ধি কৰে মোদী চৰকাৰে। ২০২৬ৰ আগষ্ট মাহলৈকে আছে মৃত্যুঞ্জয় কুমাৰ নাৰায়ণৰ কাৰ্যকাল। লক্ষণীয়ভাৱে যোৱা মাহত কেন্দ্ৰৰ তৰফৰ পৰা ঘোষণা কৰা হৈছে যে লোকপিয়লৰ সৈতে জাতিভিত্তিক জনগণনা কৰা হ'ব। তিনিটা বিষয়ৰ ওপৰত জনগণনা হ'ব বুলি ঘোষণা কৰিছিল কেন্দ্ৰীয় চৰকাৰে। এই তিনিটা বিষয় হৈছে -পৰিয়ালত সদস্যৰ সংখ্যা, তেওঁলোকৰ বাসগৃহৰ সংখ্যা আৰু বাসগৃহত কিমানজনে বসবাস কৰে তাৰ সংখ্যা। অৰ্থাৎ দেশৰ জনসংখ্যাৰ লগতে কিমানটা বাসগৃহ আছে সেয়াও গণনাৰ আওতালৈ আহিব বুলি উল্লেখ কৰিছিল চৰকাৰে। গতিকে আগন্তুক লোকপিয়লত এই বিষয়বোৰে গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে।

# আৰচিবিৰ বিজয়

১১জনকৈ লোকৰ মৃত্যু হোৱাৰ লগতে ৫০ জনৰো অধিকলোক আহত হয়। প্ৰাপ্ত তথ্য মতে, ইয়াৰে ১০জনৰ অৱস্থা সংকটজনক। মৃত লোকসকলৰ ভিতৰত শিশু আৰু মহিলাও আছে। মৃতকৰ সংখ্যা পৰৱৰ্তী সময়ত বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। খবৰ অনুসৰি, এম চিন্নাস্বামী ষ্টেডিয়ামৰ বাহিৰত আৰচিবিৰ বিজয় পেৰেড অনুষ্ঠিত হোৱাৰ কথা আছিল। ইয়াকে লৈ লাখ লাখ লোক সমাগত হয় এম চিন্নাস্বামী ষ্টেডিয়ামৰ বাহিৰত। কিন্তু পৰিস্থিতি ইমানেই ভয়ংকৰ হৈ পৰে যে জনতাক নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়ে লাঠীচালনা কৰিবলগীয়া হয়। ইয়াৰ পিছতে পৰিস্থিতি আৰু অধিক ভয়াৱহ হৈ পৰে। সন্ধিয়া ৫ বজাৰ পৰা বিজয় পেৰেড হোৱাৰ কথা আছিল যদিও সেয়া অনুষ্ঠিত কৰিব নোৱাৰিলে। ঘটনাৰ পাছতে ষ্টেডিয়ামৰ বাহিৰত জৰুৰীকালীন সেৱাৰ লোকসকল উপস্থিত হৈ আহতসকলক হাস্পতালত ভৰ্তি কৰে। ইয়াৰ বিপৰীতে পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ বাবে আৰক্ষীয়ে লাঠীচালনা কৰিবলগীয়া হয়। জানিব পৰা মতে আৰক্ষীয়ে লাঠীচালনা কৰাৰ সময়ত বৰষুণো হৈ আছিল। যাৰ বাবে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰত যায়। এই ঘটনাৰ পাছতে আৰচিবিৰ বিজয় উৎসৱ শোকলৈ ৰূপান্তৰ হয়।

# আনুষ্ঠানিকভাৱে ‘স্বাগত সতীৰ্থ’ প’ৰ্টেল

এডিআৰই পৰীক্ষাৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- এডিআৰই পৰীক্ষাত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদকো স্বচ্ছ প্ৰক্ৰিয়াৰ মাজত সোমাই লোৱা হৈছে। ৰাজ্য চৰকাৰৰ কৰ্মচাৰীয়েই নহয়, এপিডিচিএল আৰু আনুষংগিক কৰ্প’ৰেচনসমূহতো যুৱক-যুৱতীয়ে নিযুক্তিৰ ক্ষেত্ৰত স্বচ্ছতা দেখিবলৈ পাব। আন এক প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে কয়- চৰকাৰী কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যা তথা পাবলগীয়া সুবিধাসমূহৰ বিষয়ে এই চৰকাৰখনে সদায়ে শুনি আহিছে। ইতিমধ্যে আপোন ঘৰ আঁচনিৰ অধীনত ৪০ হাজাৰতকৈ অধিক কৰ্মচাৰীয়ে ১৫ লাখ টকাকৈ ঋণ ল’বলৈ সক্ষম হৈছে। এই ঋণ ৩০ লাখ টকালৈকে বৃদ্ধি কৰাৰ বাবে জনোৱা আবেদনো ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে। আপোন ঘৰ আঁচনিৰ দৰে আপোন বাহন আঁচনিখনৰো সুবিধা লাভ কৰিছে কৰ্মচাৰীয়ে। এনেধৰণৰ আঁচনি দেশৰ আন ৰাজ্যত দেখিবলৈ পোৱা নাযায়। মুখ্যমন্ত্ৰীয়ে কয়-চৰকাৰী কৰ্মচাৰীসকলৰ দৰে চুক্তিবদ্ধ আঁচনিৰ অধীনতো কৰ্মচাৰীসকলৰ ভৱিষ্যতৰ দিশতো বিশেষভাৱে গুৰুত্ব দিছে ৰাজ্য চৰকাৰে। শেহতীয়াকৈ শিক্ষকৰ চাকৰি নিয়মীয়াকৰণৰ সময়তো ৮ হাজাৰ টকা কমকৈ পাব বুলি জানিও হেজাৰ হেজাৰ শিক্ষকে চাকৰি নিয়মীয়াকৰণত আবেদন জনাইছিল। তেওঁলোকৰ আশা-জীৱিকাৰ নিৰাপত্তা। সেয়েহে এনে নিয়মীয়াকৰণত শিক্ষকসকলক আদৰণি জনাইছোঁ। ৰাজ্য চৰকাৰে একেধৰণে অনুকম্পামূলক নিযুক্তি সলনি কৰি অৱসৰ পৰ্যন্ত দৰমহা লাভ কৰাৰ এক নতুন চৰকাৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ ফলত মৃত্যু হোৱা চৰকাৰী কৰ্মচাৰীৰ পৰিয়ালে কৰ্মচাৰীজনৰ অৱসৰৰ দিনলৈকে লাভ কৰে দৰমহা। পাৰস্পৰিক বুজাবুজি বদলিকৰণৰ এই প্ৰক্ৰিয়াৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে। কয়- শিক্ষা বিভাগৰ মন্ত্ৰী হৈ থাকোঁতে শিক্ষকসকলৰ পাৰস্পৰিক বদলিকৰণ ব্যৱস্থাত আগভাগ লৈছিলোঁ। যোৱা ৭টা বছৰে নিৰন্তৰভাৱে বছৰত এবাৰ পাৰস্পৰিক বদলিকৰণৰ ব্যৱস্থা কৰা হৈছিল। শিক্ষা বিভাগত এই সফলতা লাভ কৰাৰ পিছত তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ বদলিকৰণ ব্যৱস্থাটো স্বচ্ছতাৰে আগুৱাই নিয়াৰ বাবে স্বাগত সতীৰ্থ প’ৰ্টেল মুকলি কৰা হৈছে। ৰাজ্যিকভিত্তিক সংৰক্ষণ, মেধা তালিকা, জ্যেষ্ঠতা আৰু কনিষ্ঠতা আদি বিভিন্ন কাৰিকৰী অসুবিধাৰ বাবে এইক্ষেত্ৰত যিমান কৰিব লাগিছিল, সিমানখিনি হৈ উঠা নাই। অৱশ্যে কিছু নিয়ম শিথিল কৰাৰ পাছত ৪, ৫০২টা পাৰস্পৰিক বুজাবুজি বদলিকৰণ সম্ভৱ হৈ উঠিছে। ইয়াৰ জৰিয়তে ৯, ০০৪ গৰাকী কৰ্মচাৰী উপকৃত হৈছে। দূৰণিবটীয়া ঠাইসমূহত চাকৰিত যোগদান কৰিবলৈ যোৱা কৰ্মচাৰীসকলে সদায় মনত এটা বদলিৰ ভাব লৈ থাকে। কিন্তু এই প্ৰক্ৰিয়াৰ দ্বাৰা কৰ্মচাৰীসকলে চাকৰিৰ ক্ষেত্ৰত নিশ্চিত হৈছে। মুখ্যমন্ত্ৰীয়ে কয়-চৰকাৰী কাৰ্যালয়ত অতিথিৰ দৰে চাকৰি কৰাৰ যি নিয়ম আছিল, সেই প্ৰক্ৰিয়া এতিয়া নোহোৱা হ’ল। দেশৰ ভিতৰতে প্ৰথম ৰাজ্য হিচাপে অসমে প’ৰ্টেলৰ জৰিয়তে পাৰস্পৰিক বুজাবুজি বদলিকৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে ইয়াকো উল্লেখ কৰে যে এডিআৰইৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ দুমাহৰ ভিতৰতে পুনৰ আকৌ এবাৰ বদলিকৰণ ব্যৱস্থা মুকলি কৰা হ’ব। যাতে কৰ্মচাৰীয়ে ইয়াৰ সুবিধা ল’ব পাৰে। ইয়াৰ সমান্তৰালকৈ কৰ্মচাৰীসকলৰ লগত জড়িত নৈমিত্তিক ছুটী, আৰ্জিত ছুটীকে ধৰি অন্যান্য বিষয়সমূহো কেনেদৰে প্ৰযুক্তিৰ দ্বাৰা প’ৰ্টেল আৰু ছিষ্টেম জেনেৰেট কৰিব পাৰি সেই বিষয়েও চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজন আছে। মুখ্যমন্ত্ৰীয়ে কয় যে  যিসকলে স্বাগত সতীৰ্থ প’ৰ্টেলৰ জৰিয়তে বদলিকৰণৰ আদেশ লাভ কৰা নাই, তেওঁলোকে অহা নৱেম্বৰ-ডিচেম্বৰ মাহত পুনৰ আবেদন কৰাৰ সুযোগ পাব। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী জীৱন অনুপ্ৰেৰণা আঁচনিখনৰো শুভাৰম্ভ কৰে। আঁচনিখন শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰীয়ে কয়- এই আঁচনিৰ জৰিয়তে অসমৰ চৰকাৰী আৰু কেন্দ্ৰীয় তথা ৰাজ্যিক বিশ্ববিদ্যালয়ত গৱেষণা কৰি থকা ছাত্ৰ-ছাত্ৰীসকলক এককালীন ২৫, ০০০ টকা দিয়া হ’ব। ছাত্ৰ-ছাত্ৰীগৰাকীক দিব্যাংগ হ’লে ৪০ হাজাৰ টকা পৰ্যন্ত দিয়া হ’ব। ব্যক্তিগত বিশ্ববিদ্যালয়সমূহত গৱেষণা কৰা ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ’ব বুলি তেওঁ কয়। প্ৰাৰম্ভিক তথ্য মতে, এই আঁচনিৰ জৰিয়তে ৫০ গৰাকী দিব্যাংগ গৱেষক আৰু ১, ০০০ গৰাকী গৱেষক ছাত্ৰ-ছাত্ৰী উপকৃত হ’ব। এই আঁচনিখনৰ বাবে প’ৰ্টেল মুকলি কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে অহা ১৫ আগষ্ট পৰ্যন্ত এই প’ৰ্টেল খোলা থাকিব। ২৫ ছেপ্টেম্বৰৰ ভিতৰত পৰীক্ষা-নিৰীক্ষা সম্পূৰ্ণ কৰা হ’ব বুলি তেওঁ কয়। অহা ১ অক্টোবৰৰ অথবা বিজয়া দশমীৰ পিছতে এই আঁচনিৰ ধন হস্তান্তৰ কৰা হ’ব। মুখ্যমন্ত্ৰীয়ে নিযুত মইনা আঁচনিৰ প্ৰসংগ উল্লেখ কৰি কয় যে এই আঁচনিৰ জৰিয়তে ছোৱালীৰ সম্পূৰ্ণ শিক্ষা ব্যয় চৰকাৰে বহন কৰিছে। নিযুত মইনা আঁচনিৰ বাবে বিদ্যালয়সমূহত ড্ৰপ আউটৰ সংখ্যা দিনকদিনে হ্ৰাস পাব ধৰিছে। এই আঁচনিৰ জৰিয়তে স্নাতকোত্তৰত অধ্যয়নৰত ছাত্ৰীসকলে ২, ৫০০ টকা, স্নাতক পাঠ্যক্ৰমত ১, ২৫০ টকা আৰু উচ্চতৰ মাধ্যমিকৰ বাবে ১, ০০০ টকা দিয়া হয়। ছোৱালীসকল যথেষ্ট সংবেদনশীল। পিতৃ-মাতৃৰ আৰ্থিক অনাটনৰ বাবে ছোৱালীসকলে শিক্ষা সমাপ্ত কৰিবলগীয়া হয়। সেই কাৰণে বিদ্যালয়সমূহত ছোৱালীৰ ড্ৰপ আউটৰ সংখ্যা আটাইতকৈ বেছি। এই অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, পীযূষ হাজৰিকা, যোগেন মহন, ইউ জি ব্ৰহ্ম, কৌশিক ৰয়ৰ উপৰি মুখ্য সচিব ড° ৰবি কোটা প্ৰমুখ্যে ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# ১০ অক্টোবৰত অনুষ্ঠিত হ’ব

আগতে শেষ কৰা হ’ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই ফেচবুক লাইভযোগে চৰকাৰী কৰ্মচাৰীৰ বদলিৰ প্ৰক্ৰিয়া ৭ জুনত আৰম্ভ হ’ব বুলি ঘোষণা কৰে। ৯, ০০৪ গৰাকী কৰ্মচাৰীৰ পাৰস্পৰিক বদলিৰ প্ৰক্ৰিয়া মুকলি কৰা হ’ব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দুৰ্নীতি ৰোধৰ লগতে চৰকাৰী কৰ্মচাৰীসকলক সকাহ দিয়াৰ লক্ষ্যৰে যৌথ বদলিৰ প’ৰ্টেল মুকলি হ’ব। ইয়াৰ পূৰ্বে শিক্ষা বিভাগত এনেধৰণৰ পাৰস্পৰিক বুজাবুজিৰে বদলি কৰা হৈছিল শিক্ষকসকলক। একেধৰণে এইবাৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলক পাৰস্পৰিক বুজাবুজিৰে এই প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ইয়াৰ বাবে প্ৰায় ৯ হেজাৰ কৰ্মচাৰীক বিভিন্ন পৰীক্ষাৰ অন্তত পাৰস্পৰিক বুজাবুজি বদলিৰ বাবে যোগ্য বুলি বাছনি কৰা হৈছে। ৯ হাজাৰগৰাকী চৰকাৰী কৰ্মচাৰীয়ে একেলগে একে সময়তে নিজে বিচৰা স্থানত বদলিকৰণৰ নিৰ্দেশ লাভ কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিখন মুকলি কৰাৰ কথাও উল্লেখ কৰে। এই আঁচনিৰ জৰিয়তে যিসকল গৱেষকে চৰকাৰী বিশ্ববিদ্যালয় বা সামাজিক বিশ্ববিদ্যালয়সমূহত গৱেষণা কৰি আছে, তেওঁলোকক ২৫ হাজাৰ টকাৰ এককালীন সাহায্য আগবঢ়াব। এইক্ষেত্ৰ দিব্যাংগসকলক ৪০ হাজাৰ টকা আগবঢ়োৱা হ’ব। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰীয়ে মহাবিদ্যালয়সমূহত ৭০ হাজাৰ শিক্ষাৰ্থীয়ে বিনামূলীয়াকৈ নামভৰ্তিৰ সুযোগ লাভ কৰিছে বুলিও জানিবলৈ দিয়ে। ১ আগষ্টৰ পৰা নিযুত মইনা আঁচনিৰ প্ৰ-পত্ৰ দিয়া হ’ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়ে।

# ৰাজ্যসভা নিৰ্বাচনৰ

পুৰকায়স্থৰ পুত্ৰ। উল্লেখ্য যে অহা ১৪ জুনত কাৰ্যকাল উকলি যাব ৰাজ্যসভাত অসমক প্ৰতিনিধিত্ব কৰা অগপৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ। ইয়াৰ প্ৰতি লক্ষ্য ৰাখিয়েই নিৰ্বাচন আয়োগে শেহতীয়াকৈ অসম-তামিলনাড়ুৰ মুঠ ৮খন আসনৰ বাবে নিৰ্বাচনী সূচী ঘোষণা কৰিছিল। সেই অনুসৰি অহা ১৯ জুনত অনুষ্ঠিত হ’ব নিৰ্বাচন। নিৰ্বাচনী সূচী ঘোষণা কৰাৰ পাছতে প্ৰাৰ্থিত্বক কেন্দ্ৰ কৰি শাসকীয় বিজেপি-অগপৰ মাজত ব্যাপক কুচকাৱাজ আৰম্ভ হয়। মুঠ ১২জন প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে টিকট বিচাৰি ৰাজ্যিক বিজেপিৰ ওচৰত আবেদন দাখিল কৰিছিল। সেইদৰে অগপতো প্ৰাৰ্থিত্বৰ দৌৰত অৱতীৰ্ণ হৈছে কেইবাজনো জ্যেষ্ঠ নেতা। অৱশেষত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে দলীয় প্ৰাৰ্থী ৰূপে বৰাক উপত্যকাৰ কণাদ পুৰকায়স্থক প্ৰক্ষেপ কৰে। কণাদ পুৰকায়স্থ সম্প্ৰতি ৰাজ্যিক বিজেপিৰ সম্পাদকৰ দায়িত্বত আছে। প্ৰাৰ্থিত্ব লাভৰ পাছতকণাদ পুৰকায়স্থই গুৱাহাটীত উপস্থিত হৈ সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰি তেওঁ কয় যে দলৰ ফালৰ পৰা এইবাৰ ৰাজ্যসভা নিৰ্বাচনৰ কাৰণে মোক প্ৰাৰ্থিত্ব দিছে। সেই কাৰণে দলৰ নেতৃবৃন্দ বিশেষকৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক সভাপতি দিলীপ শইকীয়াক ধন্যবাদ জনাইছোঁ। তেওঁলোকৰ শুভেচ্ছাৰ কাৰণে আজি মোক যি সন্মান দিয়া হৈছে, তাত মোৰ এটাই উদ্দেশ্য থাকিব। আমাৰ দলৰ চৰকাৰ অহাৰ পাছত বৰাক উপত্যকাত বহু উন্নয়নমূলক কাম আৰম্ভ হৈছে আৰু কেতবোৰ উন্নয়ন কৰিব লগা আছে। সেইটোত আমি চেষ্টা চলাম। বৰাক উপত্যকাৰ লগতে অসমৰ যিবোৰ সমস্যা আছে, সেই সন্দৰ্ভত দিল্লীত কথা পাতিম। মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমক এখন উন্নত ৰাজ্য হিচাপে আগবঢ়াই নিবলৈ চেষ্টা কৰি আছে। তেওঁৰ এই প্ৰচেষ্টাৰ আমিও সহযোগী হ’ম।  ১৯৮৮ চনতে বিজেপিৰ সদস্য হোৱাৰ কথা উল্লেখ কৰি কণাদ পূৰকায়স্থই পুনৰ কয় যে আজি ৩০-৩৫ বছৰ ধৰি দলত আছোঁ। বিভিন্ন সময়ত দলে যি দায়িত্ব দিছে মই পালন কৰিছোঁ। মোক প্ৰাৰ্থিত্ব দিয়াৰ পৰা এটা কথাই স্পষ্ট হৈছে- দলত যিয়ে দায়িত্বসহকাৰে কাম কৰিব, তেওঁলোকক আজি নহ’লেও কাইলৈ সন্মান জনাব। পূৰ্বে মই তিনিবাৰ বিধানসভাৰ নিৰ্বাচনৰ কাৰণে দলীয় টিকট বিচাৰিছিলোঁ। নাপালোঁ যদিও নিশ্চিতভাৱে এটা আশা আছিল। অৱশেষত মই ৰাজ্যসভাৰ প্ৰাৰ্থিত্ব লাভ কৰিলোঁ। প্ৰাৰ্থিত্ব লাভৰ কথা জানি পিতৃ বৰ্ষীয়ান বিজেপি নেতা কবীন্দ্ৰ পুৰকায়স্থ সুখী হোৱা বুলি তেওঁ সদৰী কৰে।

# নতুন ৰাজনৈতিক দল

আৰু শত্ৰুতা বাঢ়ি আহে। সামাজিক মাধ্যমত ইজনে সিজনক অপমান আৰু ভাবুকিৰ মাজতে এইবাৰ ট্ৰাম্পক ৰাজনৈতিক প্ৰত্যাহ্বান জনাবলৈ ইলন মাস্কে নতুন ৰাজনৈতিক দল গঠনৰ ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে আমেৰিকাৰ ৰাজনৈতিক ক্ষেত্ৰখনত পদাৰ্পণৰ লক্ষ্যৰে ‘দ্য আমেৰিকান পাৰ্টী’ গঠনৰ ঘোষণা কৰিছে ইলন মাস্কে। বিশ্ব ৰাজনীতিত ‘দ্য আমেৰিকান পাৰ্টী’ৰে যাত্ৰা আৰম্ভকৰাৰ ঘোষণা কৰি মাস্কে কয় যে দেশখনত এটা নতুন ৰাজনৈতিক দলৰ প্ৰয়োজন। কিয়নো দেশৰ ৮০ শতাংশ লোকেই মধ্যবিত্ত শ্ৰেণীৰ। তেওঁৰ নতুন দল গঠনৰ ঘোষণাত ব্যাপক সঁহাৰি আহিছে। প্ৰায় ৮০ শতাংশ লোকে তেওঁৰ নতুন ৰাজনৈতিক দল গঠনৰ ঘোষণাক আদৰণিও জনাইছে। এয়া তেওঁৰ বাবে ভাগ্য।

# চেনাব নদীৰ ওপৰত

দলংখনৰ আধাৰশিলা স্থাপনৰ ক্ষেত্ৰত ডিজাইন প্ৰস্তুত কৰিছিল আইআইএছ বেংগালুৰু আৰু সহযোগ কৰিছিল আইআইটি দিল্লীয়ে। এই দলং উদ্বোধনী অনুষ্ঠাত উপ-ৰাজ্যপাল মনোজ সিনহা, জম্মু কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা আৰু ৰে’ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱো উপস্থিত থাকে।

# মহানগৰীৰ ৰূপনগৰত

সেই সময়তে ওপৰৰ পৰা বাগৰি অহা এক প্ৰকাণ্ড শিলে তেওঁক হেঁচা মাৰি ধৰে। ইয়াৰ পিছৰ পৰা সন্ধান ওলোৱা নাই মনেশ্বৰ ৰাজবংশীৰ। সম্প্ৰতি ভূমিস্খলনস্থলীত NDRF, SDRF আৰু অসম আৰক্ষীৰ দলে উদ্ধাৰ অভিযান চলাই হৈছে। খহি অহা শিল ভাঙিবলৈ উদ্ধাৰকাৰী দলটোৱে ড্ৰিলিং মেচিনো ব্যৱহাৰ কৰিছে। ঘটনাৰ বিষয়ে তথ্য লাভ কৰাৰ লগতে প্ৰশাসনৰ দল ঘটনাস্থলীত উপস্থিত হয় আৰু উদ্ধাৰ অভিযান আৰম্ভ কৰে বুলি জানিব পৰা গৈছে।

## ENGLISH NEWS SECTION

# World Environment Day celebrated at Raj Bhavan




Guwahati,RB News: In solidarity with global efforts to protect and preserve the environment, Raj Bhavan Assam, celebrated World Environment Day 2025 with a call to action for a greener and more sustainable future. As part of the celebration, Commissioner and Secretary to the Governor, Shri S. S. Meenakshi Sundaram, presented saplings to officers and staff of Raj Bhavan, symbolising a collective commitment to nurture mother earth and promote its ecological balance. The gesture was not only symbolic but also a pragmatic step toward enhancing biodiversity and environmental consciousness. Addressing the gathering on the occasion, Shri Sundaram highlighted the urgent need to preserve and protect the planet. He emphasized the responsibility of every citizen to contribute actively to environmental restoration and sustainability. “Our Earth is not just a home for us, but a legacy we leave behind. It is our duty to protect and restore it for future generations,” he stated. Following the theme of World Environment Day 2025, which is 'Beat Plastic Pollution', Shri Sundaram urged everyone to take concrete steps to reduce plastic use and adopt eco-friendly alternatives in daily life. He stressed that tackling plastic pollution is not just a policy matter but a personal and collective responsibility.

## RCB official, three others sent to judicial custody



RB News: All four persons arrested in the Bengaluru stampede case have been sent to judicial custody till June 19. RCB marketing head Nikhil Sosale, and DNA Entertainment's Sunil Mathew and Kiran Kumar are among those arrested. As many as 11 people died in the stampede outside Chinnaswamy Stadium on June 4 (Wednesday). The additional chief metropolitan magistrate ordered Sosale, along with Sunil Mathew, Sumanth, and Kiran Kumar, to be held in custody following their arrest earlier in the day in a joint operation by the Bengaluru police and the city's crime branch.

## India-England Test series named Anderson-Tendulkar Trophy



RB News: India-England Test series has been named Anderson-Tendulkar Trophy ahead of the five-match series in England. Earlier, from 2007, the Pataudi Trophy was the name of the India vs England bilateral contest played in England. The Pataudi Trophy was first awarded in 2007 to commemorate 75 years of first India vs England Test. India vs England Test series played in India is called the Anthony de Mello Trophy, named after a former president of the Board of Control for Cricket in India (BCCI).

## PV Sindhu crashes out of Indonesia Open



RB News: Two-time Olympic medal-winning badminton player PV Sindhu was knocked out of Indonesia Open Super 1000 badminton tournament on Thursday. Sindhu lost 22-20, 10-21, 18-21 to Thailand's world number eight Pornpawee Chochuwong in the second round match that lasted 78 minutes. "I'm happy with my performance. It would've been really good if I [had] converted it into a win," Sindhu said.

## Piyush Chawla announces retirement from all forms of cricket



RB News: Veteran Leg-spinner Piyush Chawla, who was part of India's two World Cup-winning campaigns, on Friday announced his retirement from all forms of cricket at the age of 36. "Cricket will always live within me," he said in his farewell note. The Aligarh-born UP player was a member of India's T20 and ODI World Cup-winning squads in 2007 and 2011 under the captainship of MS Dhoni. He represented India in three Tests, 25 ODIs, and seven T20Is, taking 43 wickets across the three formats of the game.

## Dino Morea summoned by ED in Mithi River cleaning scam after raid



RB News: Enforcement Directorate has summoned Bollywood actor Dino Morea for questioning next week in connection with an alleged Rs 65 crore Mithi river desilting scam, following raids at 15 locations, including the actor's Mumbai residence, on Friday. Dino had previously been questioned by EOW, which reportedly found financial transactions between him and an arrested accused. The case involves accusations of inflated bills, fake work logs, and systematic diversion of public funds meant for flood prevention and drainage maintenance in Mumbai.

## Kamal Haasan files nomination papers for Rajya Sabha polls



RB News: Makkal Needhi Maiam president and actor Kamal Haasan filed nomination papers to contest the June 19 Rajya Sabha biennial polls from Tamil Nadu on behalf of the ruling DMK. He signed and presented the papers to officials at the Secretariat in the presence of CM MK Stalin, Deputy CM Udhayanidhi Stalin, and the leaders of his party.

# নাৰীৰ জীৱনৰ এটি স্তৱক



**লুনা গগৈ**

পৃথিৱীৰ যেতিয়া নাৰী হৈ জন্ম লৈ মাতৃৰি কোলা উপচাই .. এদিন দুদিনকৈ শিশু কালছোৱা পাৰ কৰি লাহেকৈ ছোৱালী জীৱৰী লৈ পৰিনত হয়। আমি যিটো শান্তী বিয়া বুলি কওঁ বা শুদ্ধি কৰণ হৈছে বুলি কওঁ, সেই দিনাৰ পৰাই এগৰাকী ছোৱালীয়ে জীৱনৰ এজোৰ কাপোৰ সলায়... ছোৱালী জনীয়ে নিজক স্বম্ভালিবলৈ শিকে... ইটো হিটো কাম শিকি.. বয়সৰ অনুপাতে এদিন অন্য এখন ঘৰলৈ যাবগৈ লগিয়া হয়...আৰু মাকৰ ঘৰত শিকি অহা কামৰ উপৰিও আকৌ দুই এটা নতুন কথা শিকি জীৱনৰ খোজ আগ বঢ়াব লগিয়া হয়....সেইখনেই নিজৰ ঘৰ বুলি... লহেকৈ আহে মাতৃতৰ দায়িত্ব... সংসাৰৰ মায়া-মোহ। নতুন ঘৰখন সাৰতি কাৰোবাৰ সুখৰে অৱৰে, কাৰোবাৰ দুঃখৰ হয়..আৰু ভাবি লোৱা হয় সকলো ভাগ্যৰ লিখন! এগৰাকী ছোৱালী যেতিয়া মাতৃ হয় তেতিয়া নিজৰ ভাল লগা, বেয়া লগা যিকোনো কয্যৰ সন্মুখিন হৈ থাকিব লগা হয়। যিমানেই দুখ পাৱক, কষ্ট হওঁক... মৰিব নোৱাৰে.. ধৈৰ্য্য ধৰিব লাগে কেৱল আনৰ বাবে..... কাৰণ মৃত্যু সহজ কিন্তু তেওঁ সেই কথোৰ সিদ্ধান্তই পাছত তেওঁৰ সন্তানটি যদি তেওঁতকৈও দুখ-কষ্ট হয় ? তেতিয়া তেওঁৰ সন্তানে জানো ইমান কষ্ট সহ্য কৰিব পাৰিব ? নোৱাৰে কেতিয়াও নোৱাৰে... সেই বাবে সদায় নাৰী আনৰ বাবে জীয়াই থাকে। কিন্তু এজন পুৰুষে মাতৃ সোৱাৰ ৯ মাহ দহ দিন গৰ্ভত লৈ ফুৰা কষ্টটো নাপাই... কিন্তু দেখি অনুভৱটো কৰিব পাৰে.. . হয় স্বামী হিচাপে তেওঁ দিন হাজিৰা কৰিয়ে হওঁক বা চাকৰি কৰিয়েই হওঁক উপাৰ্জন কৰি ঘৰখন চলাই...সেই বুলিয়ে তেওঁ যি মন যায় তেনেকৈয়ে থাকিব পাৰে নে? এবাৰ ক্ষন্তেক সময়ৰ বাবে নিজক এগৰাকী নাৰী বুলি ভাবি...ছোৱালীজনীৰ কৈশোৰৰ পৰা বৈবাহিক জীৱনৰ দিনবোৰ গণনা কৰি ছাব নোৱাৰে নে? সঁচাই এগৰাকী ছোৱালী/ নাৰী কেতিয়াও নিজৰ বাবে জীয়াই নাথাকে....

**(অনুভৱৰ দলিচাৰে লিখিলো.. এগৰাকী নাৰী হৈ ...ভূল হলে ক্ষমা কৰিব)**

অসম চৰকাৰ

JANASANYOG- 499/25/8-June-25

ই-খাজনা
ভূমি ৰাজহ আদায় ব্যৱস্থাৰ সৰলীকৰণ

ভূমি ৰাজহ সংগ্ৰহ ব্যৱস্থা অধিক স্বচ্ছ, কাৰ্যকৰী তথা সুগম কৰাৰ লক্ষ্যৰে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম চৰকাৰে জনসাধাৰণৰ বাবে লৈ আহিছে
অনলাইন আৰু অফলাইন মাধ্যমেৰে খাজনা পৰিশোধ ব্যৱস্থা

- পট্টাদাৰে অনলাইন আৰু অফলাইন দুয়োটা মাধ্যমেৰে খাজনা পৰিশোধ কৰিব পাৰিব
- পট্টাদাৰসকলে অনলাইন e-Khazna যোগে বা অফলাইন CFR যোগে আদায় দিব পাৰিব ভূমি ৰাজহ
- অনলাইন e-Khazna যোগে খাজনা পৰিশোধ কৰিব নোৱাৰা পট্টাদাৰৰ বাবে কৰা হৈছে এই ব্যৱস্থা
- কৰ্মসূত্ৰে বা আন কাৰণত বাহিৰত বসবাস কৰা পট্টাদাৰে অনলাইনযোগে e-Khaznaৰ জৰিয়তে ভূমি ৰাজহ আদায় দিব পাৰিব
- সকলো জিলাৰ সমূহ মৌজাদাৰ/ তহচিলদাৰৰ কাৰ্যালয়ত এই ব্যৱস্থা কৰা হৈছে

ভূমিৰ ৰাজহ অনলাইন পৰিশোধ কৰিবলৈ QR ক'ড স্কেন কৰক

আজিয়েই আপোনাৰ ভূমি ৰাজহ আদায় দিয়ক

মোবাইলৰ সহায়ত QR ক'ড স্কেন → ই-খাজনা প'ৰ্টেল → পে' (যদি ইতিমধ্যে পঞ্জীয়ন কৰা হৈছে) বা খাজনা আদায় দিবলৈ পঞ্জীয়ন কৰক

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম চৰকাৰ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত    Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286